সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৮ বছৰৰ এক অবিৰত যাত্ৰা...

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

২৮ বছৰ, ২১ সংখ্যা, ৭ জেঠ , ৰবিবাৰ, ১৪২৭ ভাস্কৰাব্দ, পঞ্জীয়ন নং ৫৩৮৮৩ / ৯৪

RNI No. 53883/94. GHY--781025. Vol. 28: Issue No. 21 * Date Of Publication - 22 May 2022 Rs.10.00/-

## তিনিদিনীয়া কাৰ্যসূচীৰে আই আই টি গুৱাহাটীত "North East Research Conclave" অনুষ্ঠিত



ৰঙিলী বাৰ্ত্তাসেৱা- তিনিদিনীয়া কাৰ্যসূচীৰে ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান (আই আই টি) গুৱাহাটীত "North East Research Conclave" অনুষ্ঠিত হৈছে। কেন্দ্ৰীয় শিক্ষা, দক্ষতা বিকাশ তথা উদ্যোগ দপ্তৰৰ মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে শিক্ষা প্ৰতিষ্ঠানখনৰ সুধাকণ্ঠ ড° ভূপেন হাজৰিকা প্ৰেক্ষাগৃহত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত এই তিনিদিনীয়া গৱেষণা সন্মিলনখন আনুষ্ঠানিকভাৱে মুকলি কৰে। সন্মিলনখন মুকলি কৰি কেন্দ্ৰীয় মন্ত্ৰীজনে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক ৰাজ্যৰ এগৰাকী জনপ্ৰিয় মুখ্যমন্ত্ৰী হিচাপে অভিহিত কৰাৰ লগতে মুখ্যমন্ত্ৰীৰ বলিষ্ঠ পদক্ষেপৰ বাবেই আই আই টি গুৱাহাটীত এনেধৰণৰ এখন সন্মিলন আয়োজন কৰাটো সম্ভৱ হৈছে বুলি কয়। তেওঁ লগতে উল্লেখ কৰে যে এনেধৰণৰ সন্মিলনে নৱপ্ৰজন্মক বিজ্ঞান গৱেষণাৰ ক্ষেত্ৰত আকৃষ্ট কৰাত সহায় কৰিব। দেশৰ প্ৰাক্তন ৰাষ্ট্ৰপতি তথা প্ৰখ্যাত বিজ্ঞানী আব্দুল কালামৰ প্ৰসংগ উল্লেখ কৰি কেন্দ্ৰীয় মন্ত্ৰীজনে পুনৰ কয় যে প্ৰতিভাক কেতিয়াও কোনোৱে বাধা দি ৰাখিব নোৱাৰে। তামিলনাডুৰ এখন ভিতৰুৱা গাঁৱৰ এটা মাছমৰীয়া পৰিয়ালত জন্মগ্ৰহণ কৰা আব্দুল কালামে নিজৰ দক্ষতা আৰু প্ৰতিভাৰ বলত বিশ্বৰ এজন প্ৰখ্যাত বিজ্ঞানী ৰূপে নিজকে প্ৰতিষ্ঠা কৰাৰ লগতে দেশৰ ৰাষ্ট্ৰপতিৰ আসনো অলংকৃত কৰিছিল। কালামৰ আদৰ্শেৰে অনুপ্ৰাণিত হৈ নৱপ্ৰজন্মক বিজ্ঞান গৱেষণা ক্ষেত্ৰখনত কাম কৰি দেশৰ প্ৰগতিত অৰিহণা আগবঢ়াবলৈ আহ্বান জনায় কেন্দ্ৰীয় মন্ত্ৰীজনে। শ্ৰীপ্ৰধানে অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈ আৰু বিপ্লৱী লেখক তথা গীতিকাৰ ড° ভূপেন হাজৰিকাই অসমৰ পৰা ভাৰত ৰত্ন সন্মান পোৱাৰ কথা দোহাৰে। এই সভাখনত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, ৰামেশ্বৰ তেলী, কেন্দ্ৰীয় শিক্ষা ৰাজ্য মন্ত্ৰী সুভাষ সৰকাৰ আৰু ৰাজকুমাৰ ৰঞ্জন সিং, শিক্ষামন্ত্ৰী ৰণোজ পেগু, স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্ত, সাংসদ কুইন ওজা।

## পৰৱৰ্তী ২৫ বছৰৰ বাবে লক্ষ্য নিৰ্ধাৰণ কৰকঃ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী



ৰঙিলী বাৰ্ত্তাসেৱা- চলিত মাহত বিজেপি নেতৃত্বাধীন এন ডি এ চৰকাৰে ৮ বছৰ সম্পূৰ্ণ কৰিব। এই ৮ বছৰ সংকল্প আৰু সাফল্যৰ, সেৱা, সুশাসন আৰু দৰিদ্ৰসকলৰ কাৰণে প্ৰতিশ্ৰুতিবদ্ধ হৈ আছোঁ বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰে। জয়পুৰত বিজেপিৰ ৰাষ্ট্ৰীয় কাৰ্যকৰ্তাৰ বৈঠকত ভিডিঅ' কনফাৰেঞ্চযোগে সম্বোধন কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চৰকাৰখনৰ ৮ বছৰে দেশবাসীৰ আশা-আকাংক্ষা পূৰণ কৰাৰ প্ৰসংগৰে এই মন্তব্য আগবঢ়ায়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই ৮ বছৰ দেশবাসীৰ আশা আকাংক্ষা পূৰণৰ বছৰ বুলি উল্লেখ কৰি কয় যে ২০১৪ চনৰ পাছত বিজেপিয়ে হতাশাগ্ৰস্ত দেশবাসীৰ মনলৈ আশা কঢ়িয়াই আনিছে । চৰকাৰখনৰ ডেলিভাৰী ব্যৱস্থাক দেশবাসীয়ে আস্থাৰে গ্ৰহণ কৰিছে। ৮ বছৰত দেশৰ ক্ষুদ্ৰ কৃষক, শ্ৰমিক আৰু মধ্যবিত্ত শ্ৰেণীৰ আশা পূৰণ কৰিবলৈ সক্ষম হৈছে। তদুপৰি প্ৰধানমন্ত্ৰী মোদীয়ে ভাৰতীয় জনতা পাৰ্টিৰ কৰ্মীসকলক পৰৱৰ্তী ২৫ বছৰৰ বাবে লক্ষ্য নিৰ্ধাৰণ কৰিবলৈ আৰু অতি আত্মবিশ্বাস আৰু যথেষ্ট আশাৰে বিজেপিলৈ চাই থকা লোকসকলৰ আশা-আকাংক্ষা পূৰণৰ বাবে ধাৰাবাহিকভাৱে কাম কৰিবলৈ পৰামৰ্শ দিয়ে।

### সম্পাদকীয়ঃ

## আগতীয়া বান



চৰকাৰ আহে চৰকাৰ যায়, বৈ যায় মাথো প্ৰতিশ্ৰুতিৰ বন্যা। অসমৰ বান সমস্যা নতুন সমস্যা নহয়। বাৰিষা আহে বান হয়, কিমান মানুহৰ মৃত্যু হয় আকৌ কিমানৰ বেমাৰ হয় সেই হিচাপ থাকে মন্ত্ৰী, বিধায়কৰ হাতত মাথো বাৰিষাৰ দিনকেইটাতহে। কোনোটো বছৰে ইয়াৰ ব্যতিক্ৰম নহয়। টেলিভিছনৰ পৰ্দা, সামাজিক মাধ্যম, পেপাৰ আদিত বানপানীৰ বিধ্বংসী ৰূপ দেখা পোৱা যায়। বিভিন্ন মন্ত্ৰী আৰু স্থানীয় বিধায়কজনকো সেই কেইদিনত বানাক্ৰান্ত ৰাইজৰ দুখত ম্ৰিয়মান হৈ আগন্তুক বৰ্ষত আৰু যাতে এনেকুৱা দুৰ্দশা ভূগিবলগীয়া নহয় তাৰ বাবে আশ্বাস দি থৈ অহাটো যেন তেওঁলোকৰ নিত্য-নৈমিত্তিক কৰ্ম।

অসমত থকা যিসকল আদিবাসী লোক আছে তেওঁলোকে আজি দীৰ্ঘদিনৰ পৰা দাবী উত্থাপন কৰি আহিছে যে যিহেতুকে ব্ৰহ্মপুত্ৰ উপত্যকাত যিসকল আধিবাসী লোক আছে তেওঁলোকক সুৰক্ষা দিবলৈ প্ৰাদেশিক চৰকাৰ সমৰ্থ নহয় গতিকে এই বানপানীৰ সমস্যাটো ভাৰতৰ জাতীয় সমস্যা হিচাপে পৰিগণিত কৰিব লাগে আৰু ইয়াৰ দায়িত্ব ল'ব লাগে কেন্দ্ৰীয় চৰকাৰে ।সেই হিচাপে এখন আইন প্ৰস্তুত কৰি ১৯৮০ চনত আইন গৃহীত কৰা হ'ল ।সেই মৰ্মে ১৯৮২ চনত কেন্দ্ৰীয় চৰকাৰৰ অধীনত বান নিয়ন্ত্ৰণ আৰু জলবিদ্যুৎ উৎপাদনৰ উদ্দেশ্যে এখন বহ্মপুত্ৰ বৰ্ড গঠন কৰা হ'ল। কিন্তু দুখৰ বিষয় যে ২০০০চনৰ মে মাহত ব্ৰহ্মপুত্ৰ বৰ্ডৰ হাতৰ পৰা বান নিয়ন্ত্ৰণ প্ৰকল্পটো কেন্দ্ৰীয় চৰকাৰৰ জাতীয় জলবিদ্যুৎ নিগমৰ অধীনলৈ গ'ল য'ত এতিয়া মাথোন বিদ্যুতহে উৎপাদন হয়। কিন্তু বান সমস্যাৰ দৰে এনে এটা জটিল সমস্যাক আওকাণ কৰাটো মাহী আইৰ দৃষ্টিৰে প্ৰত্যক্ষ কৰাটো একেবাৰে ভূল সিদ্ধান্ত আছিল। সেইসময়ত সিদ্ধান্ত টো লওঁতে বানে জুৰুলা কৰা পৰিয়ালবোৰলৈ কোনো এজনৰো দৃষ্টিগোচৰ নহ'ল। তাতে এইবাৰ অসমত আগতীয়া বান। সমগ্ৰ ৰাজ্যত হোৱা নেৰানেপেৰা বৰষুণৰ ফলত পানী বাঢ়ি আহি ৰাজ্যৰ ২৯ খন জিলা আৰু বৰ্তমানৰ লৈকে ৭ লক্ষ্যাধিক লোক বানৰ কবলত। চৰকাৰে উচিত পদক্ষেপ নোলোৱাৰ বাবেই এই বানপানীৰ সমস্যাই এক জলন্ত সমস্যা ৰূপে পৰিগণিত হৈছে। মনত অসংখ্য প্ৰশ্নৰ উদয় হয় এই বানপানী সমস্যাটোৰ লগত ৰাজনীতিৰ অনেক বিষয় জড়িত হৈ আছে নেকি বাৰু? এতিয়াই পৰিস্থিতি ভয়াবহ ৰূপত দেখিবলৈ পোৱা গৈছে অনাগত দিনত ইয়াৰ পৰিস্থিতি য়ে বা কি ৰূপ লয় সেইয়া সময়েহে ক'ব পাৰিব।

# কাছাৰত বানৰ অৱনতি, চাৰিদিনৰ পাছত সময় ওলাল অভিভাৱক মন্ত্ৰী অশোক সিংঘলৰ

ৰঙিলী বাৰ্তাসেৱা- কাছাৰত ভয়াবহ বানৰ তাণ্ডৱ চলি থকাৰ পাঁচদিন অতিক্ৰম হোৱাৰ পাছতহে অভিভাৱক মন্ত্ৰী অশোক সিংঘল শিলচৰত উপস্থিত হৈছেহি। যি সময়ত বানত বুৰ গৈ দুই শিশু সহ ছয় গৰাকী লোকৰ মৃত্যু হৈছে তেনে সময়ত মন্ত্ৰীৰ কোনো খা-খবৰ লোৱাৰ বাবে সময় নহ'ল। ইয়াৰ বাবে ৰাইজৰ মাজত তীব্ৰ ক্ষোভ পৰিলক্ষিত হৈছে। এই দিনা পুৱাৰ ভাগত মন্ত্ৰী সিংঘলে লগত কিছু ত্ৰাণ ত্ৰাণসামগ্ৰী লৈ বিমানযোগে কুম্ভীৰগ্ৰাম বিমানবন্দৰত উপস্থিত হয়। মন্ত্ৰী কুম্ভীৰগ্ৰাম বিমানবন্দৰৰ পৰা পোনে পোনে শিলচৰৰ বিজেপি কাৰ্য্যালয়ত উপস্থিত হৈ দলীয় কৰ্মকৰ্তাৰ সৈতে সাক্ষাৎ কৰে। পাছত মন্ত্ৰী অশোক সিংঘলে আশ্ৰয় শিবিৰ পৰিদৰ্শন কৰে। পিছত বান কৱলিত এলেকা সমূহ পৰিদৰ্শন কৰে। পাছত সংবাদ মাধ্যমৰ মুখামুখি হৈ মন্ত্ৰীয়ে কয়, মুখ্যমন্ত্ৰীৰ নিৰ্দেশত শিলচৰত উপস্থিত হৈ পোনতে তেওঁ শিলচৰৰ আশ্ৰয় শিবিৰ আৰু বিভিন্ন বান কৱলিত এলাকা পৰিদৰ্শন কৰে। বিয়লি জিলা প্ৰশাসন আৰু স্থানীয় বিধায়ক, সাংসদৰ সৈতে এখন জৰুৰী বৈঠকত মিলিত হয়। তেওঁ কয়, কাছাৰত বান পৰিস্থিতি ভয়াবহ ৰূপ ধাৰণ কৰিছে যদিও বৰ্তমান বিপদমুক্ত পৰিৱেশ। কিন্তু আকৌ বৰষুণ পৰিলে পানী বাঢ়ি যোৱাৰ আশংকা আছে। বৰ্তমান প্ৰশাসনে বান প্ৰতিৰোধৰ বাবে প্ৰস্তুতি লৈছে। নিত্য প্ৰয়োজনীয় দ্ৰব্য মূল্য বৃদ্ধি সন্দৰ্ভত তেওঁ কয়, ৰাইজে ভয় পোৱাৰ কোনো কাৰণ নাই এতিয়ালৈ পৰ্যাপ্ত পৰিমানে পণ্য সামগ্ৰী মজুদ আছে। সেয়েহে মূল্য বৃদ্ধিৰ সম্ভাৱনা নাই। উল্লেখ্য যে, কাছাৰত বান পৰিস্থিতি উদ্বেগজনক। বৰাক নদীৰ জলসীমা এতিয়াহে বিপদসীমা অতিক্ৰম কৰিছে । জিলাখনত ২৮৮ খন গাঁৱৰ ১ লক্ষ ১৯ হাজাৰ ৬৭০ জনলোক বানৰ কৱলত। ৬৪ টা ত্ৰাণ শিবিৰত ১১ হাজাৰ ৬৯৩ জন আশ্ৰয় লৈছে। ৭২২৪ টা ঘৰ ক্ষতিগ্ৰস্ত হৈছে।

# সাধাৰণ জনতাৰ মূৰত পুনৰ মাধমাৰ



ৰঙিলী বাৰ্তাসেৱা- সাধাৰণ জনতাৰ মূৰত পুনৰ মাধমাৰ। পুনৰ বৃদ্ধি পালে ৰন্ধন গেছৰ চিলিণ্ডাৰৰ দাম বৃহস্পতিবাৰে পুৱা পেট্ৰোলিয়াম কোম্পানীয়ে ঘৰুৱা এল পি জি চিলিণ্ডাৰৰ মূল্য ৩.৫০ টকা বৃদ্ধি কৰে। আনহাতে, বাণিজ্যিক চিলিণ্ডাৰৰ দাম ৮ টকাকৈ বৃদ্ধি কৰা হৈছে। দুয়োবিধ চিলিণ্ডাৰৰ নতুন দৰ সমগ্ৰ দেশতে কাৰ্যকৰী কৰা হৈছে। এতিয়া ১৪.২ কেজি আৰু ১৯ কেজি চিলিণ্ডাৰৰ বাবে অধিক ধন ভৰিব লাগিব। চিলিণ্ডাৰৰ ধাৰাবাহিক মূল্যবৃদ্ধিয়ে এতিয়া মাধমাৰ শোধাইছে সাধাৰণ জনতাক। উল্লেখ্য যে, দিল্লী আৰু মুম্বাইত এটা ঘৰুৱা এল পি জি চিলিণ্ডাৰৰ মূল্য ১০০৩ টকা, কলকাতাত ঘৰুৱা এল পি জি চিলিণ্ডাৰৰ মূল্য ১০২৯ টকা আৰু চেন্নাইত ১০১৮.৫ টকা হ'ব।

# ৰাজ্য চৰকাৰৰ কেবিনেট বৈঠকত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ

ৰঙিলী বাৰ্তাসেৱা- সাপ্তাহিক কেবিনেট বৈঠকত লোৱা গুৰুত্বপূৰ্ণ সিদ্ধান্তসমূহ অসমৰ ২৬খন জিলাৰ বানৰ কবলত। কিন্তু ডিমা হাছাও, বৰাক, হোজাইৰ অৱস্থা অতি শোচনীয়। গতিকে এই ৩ জিলাক সৰ্বতোপ্ৰকাৰে সহায়ৰ সিদ্ধান্ত লোৱা হয়।মেঘালয়ত হোৱা ভূমিস্খলনৰ বাবে বৰাকলৈ যাতায়াত বন্ধ। বৰাকলৈ খাদ্য সামগ্ৰী যোগানৰ বাবে সহায় কৰিব মেঘালয় চৰকাৰে। বৰাকত মজুত আছে ২২ হাজাৰ মেট্ৰিকটন চাউল। ডিজেল, পেট্ৰ'ল ৭ দিনৰ বাবে বৰাকত উপলব্ধ আছে। মন্ত্ৰী যোগেন মহন আৰু বিমল বৰা হাফলঙলৈ যাব। ফ্লাই বিগৰ সৈতে অসম চৰকাৰৰ চুক্তি স্বাক্ষৰ। শিলচৰৰ পৰা গুৱাহাটীৰ মাজত ফ্লাইবিগে আৰম্ভ কৰিব বিমান সেৱা। বৰাকৰ বাহিৰৰ লোকসকলক বিমানযোগে অনা হ'ব। গুৱাহাটী-শিলচৰৰ মাজত বিশেষ বিমান সেৱা। বৰাকত আবদ্ধ লোকৰ বাবে বিশেষ বিমান সেৱা। বিমানৰ টিকটৰ মূল্য হ'ব ৩ হাজাৰ টকা। বানত মৃত্যু হোৱা লোকৰ পৰিয়ালক ৪ লাখ টকা দিব হ'ব। জিলা উপায়ুক্তই মৃতকৰ পৰিয়ালক মুকলি কৰি দিব ধন। এমপ্লয়মেণ্ট এক্সচেঞ্জ ত নাম পঞ্জীয়নৰ বাবে নালাগে আধাৰ কাৰ্ড। আধাৰ কাৰ্ড নহ'লেও যুৱক-যুৱতীয়ে নাম পঞ্জীয়ন কৰিব পাৰিব। ৰাজ্যত দৈনিক ১০ লাখ লিটাৰ গাখীৰ উৎপাদনৰ লক্ষ্য। স্থগিত নহয় দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱ। ক'ভিডৰ পাছত বিদ্যুতৰ চাহিদা বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ কোম্পানীৰ পৰা ৰাজ্য চৰকাৰে বিদ্যুৎ ক্ৰয় কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। বিদ্যুৎ ক্ৰয়ৰ বাবে উত্তৰ প্ৰদেশৰ নেইভেলীৰ সৈতে বুজাবুজি চুক্তি। নেইভেলীৰ পৰা ৪৯৪ মেগাৱাট বিদ্যুৎ ক্ৰয় কৰিব অসমে।কমলপুৰত স্থাপন হ'ব নেচনেল ফৰেনছিক বিশ্ববিদ্যালয়।নতুন ৰাজভৱন নিৰ্মাণৰ বাবে ভূমি অধিগ্ৰহণ। বেলিভিউ হোটেলৰ কাষতে নতুন ৰাজ ভৱনৰ বাবে ভূমি।

# নীলাচল জাতীয় বিদ্যালয়ত 'মহাপুৰুষ দিৱস' উদ্‌যাপন



ৰঙিলী বাৰ্তাসেৱা- নীলাচল জাতীয় বিদ্যালয়ৰ উদ্যোগত বিদ্যালয়ৰ প্ৰাংগণত মহাপুৰুষ মাধৱদেৱৰ আৰ্বিভাৱ তিথিৰ লগত সংগতি ৰাখি 'মহাপুৰুষ দিৱস' পালন কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষয়িত্ৰী মানসী দাসে মহাপুৰুষজনাৰ জীৱনৰ ওপৰত ব্যাখ্যা আগবঢ়ায়। বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীৰ মাজত মহাপুৰুষজনাৰ জীৱনৰ ওপৰত আধাৰিত এখনি ৰচনা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। আয়তীসকলৰ লগত শিক্ষক, শিক্ষয়িত্ৰী, ছাত্ৰ ছাত্ৰীসকলে নাম প্ৰসংগৰ অনুষ্ঠান এটিও অনুষ্ঠিত কৰে। প্ৰতিযোগিতাৰ ক শাখাত ষষ্ঠ শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ অনুষ্ঠিত প্ৰতিযোগিতাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে ক্ৰমে দৰ্শিতা বণিক্য, নিশিতা শইকীয়া আৰু জ্যোতিৰ্ময় কলিতা। আনহাতে খ শাখাত নৱম আৰু দশম শ্ৰেণীৰ মাজত অনুষ্ঠিত হোৱা ৰচনা প্ৰতিযোগিতাৰ প্ৰথম স্থান লাভ কৰে দশম শ্ৰেণীৰ নীতিজ্ঞৰাজ নন্দনে, দ্বিতীয় স্থান লাভ কৰে নৱম শ্ৰেণীৰ ৰাজ বিশ্বাসে আৰু তৃতীয় স্থান লাভ কৰে দশম শ্ৰেণীৰ হিমাশ্ৰী শৰ্মাই।

# বানাক্ৰান্তৰ মাজত খাদ্য সামগ্ৰী, ঔষধ পাতি যোগানৰ দাবী এছইউচিআইৰ

ৰঙিলী বাৰ্তাসেৱা- ৰাজ্য চৰকাৰক যুদ্ধকালীন তৎপৰতাৰে সকলো বানাক্ৰান্ত ৰাইজৰ বাবে প্ৰয়োজনীয় খাদ্য, খোৰাপানী, ঔষধপাতি যোগান ধৰা, প্ৰয়োজন অনুসৰি আশ্ৰয় শিবিৰৰ ব্যৱস্থা কৰাৰ দাবী জনাইছে এছইউচিআই (কমিউনিষ্ট)দলে। ডিমা হাছাও সহ ৰাজ্যৰ ২০ খন জিলাত নেৰানেপেৰা বৰষুণৰ ফলত বিস্তীৰ্ণ অঞ্চল বানপানীত প্লাবিত হোৱাৰ লগতে ৰে'ল আৰু পথ যোগাযোগ বিচ্ছিন্ন হোৱাৰ ফলত সৰ্বসাধাৰণ ৰাইজে সন্মুখীন হোৱা মাৰাত্মক সংকটৰ প্ৰতি ৰাজ্য চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰি দলৰ ৰাজ্যিক সম্পাদক চন্দ্ৰলেখা দাসে এক প্ৰেছ বিবৃতি যোগে কয় যে এনে সংকটৰ মুহূৰ্তত চৰকাৰে যিদৰে বানবিধ্বস্ত ৰাইজৰ কাষত থিয় দিব লাগিছিল সেয়া পৰিলক্ষিত হোৱা নাই। ইয়াৰ লগতে অতি দ্ৰুত ৰে'ল পথ যোগাযোগ ব্যৱস্থা পুনৰ্নিৰ্মাণৰ দাবী জনোৱাৰ লগতে যোগাযোগ বিচ্ছিন্ন হৈ পৰা অঞ্চলত খাদ্য তথা অত্যাৱশ্যকীয় বয় বস্তুৰ সংকটৰ নিৰসন কৰাৰ লগতে অসাধু ব্যৱসায়ীসকলে যাতে পৰিস্থিতিৰ সুযোগ লৈ লেকামহীন মূল্যবৃদ্ধি ঘটাব নোৱাৰে তাৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰি দৃঢ় পদক্ষেপ লবলৈ আহ্বান জনোৱা হয়। বৰ্তমান বানত ১২ জন নাগৰিকৰ মৃত্যুৰ ঘটনাত গভীৰ শোক প্ৰকাশ কৰি এইসকল দুৰ্ভগীয়া ব্যক্তিৰ পৰিয়ালক ১০ লাখ টকা ক্ষতিপূৰণ প্ৰদান কৰাৰ লগতে বানবিধ্বস্ত প্ৰত্যেক পৰিয়ালক উপযুক্ত ক্ষতিপূৰণ আগবঢ়াবলৈ তেওঁ দাবী জনায়। এনে সংকটৰ সুযোগ লৈ চৰকাৰী আৰু বেচৰকাৰী খণ্ডৰ এয়াৰলাইন্সে শিলচৰৰ পৰা গুৱাহাটীলৈ ১০ গুণ বেছি, ৩০,০০০ টকাতকৈও অধিক বিমান ভাড়া আদায় কৰাৰ ঘটনাক তীব্ৰ গৰিহণা জনায় আৰু ৰাজ্যিক আৰুহ কেন্দ্ৰীয় চৰকাৰক নিৰ্বাক দৰ্শকৰ ভূমিকা পৰিত্যাগ কৰি অবিলম্বে ভাড়া নিয়ন্ত্ৰণৰ বাবে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ দৃঢ়তাৰে দাবী জনায় ।

# ধীৰেনপাৰা প্ৰাথমিক বিদ্যালয়ত চিত্ৰাংকন প্ৰতিযোগিতা



ৰঙিলী বাৰ্তাসেৱা- বৃহত্তৰ ফটাশিল আমবাৰী স্বৰ্ণ শাখা সাহিত্য সভাৰ উদ্যোগত আজি ধীৰেনপাৰা প্ৰাথমিক বিদ্যালয় প্ৰাংগণত ছাত্ৰ ছাত্ৰীৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানত আয়োজন কৰা স্বৰ্ণ শাখা সাহিত্য সভাই ছাত্ৰ ছাত্ৰীসকলক উদগনি দিয়াৰ উপৰিও সাহিত্য সংস্কৃতিৰ লগত জড়িত কৰাৰ প্ৰয়াস কৰা হয়। বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী ৰাজু তালুকদাৰৰ উপস্থিতিত অনুষ্ঠিত কাৰ্যসূচীত অংশগ্ৰহণ কৰে স্বৰ্ণ শাখাৰ সম্পাদকদ্বয় হীৰেন মেধি আৰু শুভাংসু মৰল। ভৱিষ্যতেও কবিতা আবৃত্তি, আকস্মিক বক্তৃতানুষ্ঠানৰ নগতে বৃহত্তৰ ফটাশিল আমবাৰীৰ বিভিন্ন বিদ্যালয়ত এনেধৰণৰ কাৰ্যসূচী গ্ৰহণ কৰা হ'ব বুলি শুভাংসু মৰলে জানিবলৈ দিয়ে।

# ৰহাৰ চাপৰমুখত বানাক্ৰান্তসকলৰ খবৰ ল'লে মন্ত্ৰী পীযুষ হাজৰিকাই

ৰঙিলী বাৰ্ত্তাসেৱা- জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই ৰহা সমষ্টিৰ চাপৰমুখত বানাক্ৰান্ত সকলৰ খবৰ লয়। চাপৰমুখৰ তিনিটা আশ্ৰয় শিবিৰ পৰিদৰ্শন কৰি মন্ত্ৰীগৰাকীয়ে খাদ্য সামগ্ৰী, খোৱাপানী আৰু ঔষধ আদিৰ সুব্যৱস্থা কৰি দিবলৈ জিলা প্ৰশাসনক নিৰ্দেশ দিয়ে।ইয়াৰ পাছত মন্ত্ৰীগৰাকীয়ে তিনিখুটি অঞ্চলত উপস্থিত হৈ বান পৰিস্থিতিৰ বুজ লয়। তিনিখুটিত বিগত সময়ত খহনীয়া ৰোধৰ বাবে জলসম্পদ বিভাগে ব্যৱস্থা গ্ৰহণ কৰিছিল যাৰ ফলত এতিয়া



অঞ্চলটোত খহনীয়া নাই যদিও পথৰ ওপৰেৰে নদীৰ পানী বৈ কাষৰীয়া অঞ্চল প্লাৱিত কৰি বানৰ সৃষ্টি কৰিছে। মন্ত্ৰীগৰাকীয়ে অঞ্চলটোৰ বান পৰিস্থিতিৰ বুজ লৈ পৰৱৰ্তী সময়ত দেউবালি আৰু ফুলগুৰিত উপস্থিত হৈ বানাক্ৰান্তসকলৰ আশ্ৰয় শিবিৰত বানাক্ৰান্তসকলৰ খবৰ লয়। পৰিদৰ্শন কালত মন্ত্ৰীগৰাকীয়ে সাহাৰ্য সামগ্ৰীৰ উপযুক্ত ব্যৱস্থা কৰিবলৈ জিলা উপায়ুক্তক নিৰ্দেশ দিয়ে।

# ২৩ মে' লৈকে অস্বাভাৱিক অৱস্থাত থাকিব ৰাজ্যৰ বতৰ

ৰঙিলী বাৰ্ত্তাসেৱা- ২৩ মে' লৈ ৰাজ্যত বতৰ অস্বাভাৱিক অৱস্থাত থাকিব। বৰঝাৰস্থিত আঞ্চলিক বতৰ বিজ্ঞান বিভাগে এই তথ্য সদৰি কৰিছে। আঞ্চলিক বতৰ বিজ্ঞান বিভাগে অহা ৪৮ ঘন্টাৰ ভিতৰত ৰাজ্যৰ ডিমা হাছাও, কাছাৰ, কৰিমগঞ্জ , গোৱালপাৰা, ধুবুৰী, দক্ষিণ শালমাৰা জিলাত সৰ্তকতা জাৰি কৰিছে। এই জিলাসমূহত প্ৰবলৰ পৰা প্ৰবল বৃষ্টিপাত হোৱাৰ সম্ভাৱনা আছে। অহা ২৫ মে'লৈ গুৱাহাটীত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে পাতলীয়া বৰষুণ অব্যাহত থাকিব। গুৱাহাটীত সৰ্বোচ্চ তাপমাত্ৰা ২৯ ডিগ্ৰীৰ পৰা ৰ ডিগ্ৰীৰ ভিতৰত থাকিব। আঞ্চলিক বতৰ বিজ্ঞান বিভাগে অহা ২৩ মে'ৰ পিছতহে ৰাজ্যত বতৰ স্বাভাৱিক হ'ব বুলি পূৰ্বানুমান কৰিছে।

# হোজাইৰ বানক্ৰান্তৰ মাজত অসম তৃণমূল কংগ্ৰেছৰ প্ৰতিনিধি

ৰঙিলী বাৰ্ত্তাসেৱা- অসম তৃণমূল কংগ্ৰেছৰ সভাপতিৰ আহ্বান মৰ্মে অসমৰ বিভিন্ন বানবিধ্বস্ত অঞ্চলৰ নিপীড়িত ৰাইজৰ দুখ বেজাৰৰ সমভাগি হ'বলৈ আৰু সমস্যাৰ বুজ বিচাৰ ল'বলৈ দলীয় সতীৰ্থৰ দল যায়। এই উদ্দেশ্যৰে হোজাইত জটিল ৰূপ ধাৰণ কৰা বানপানীয়ে জনজীৱন তচনচ কৰি দিয়া অৱস্থাৰ বুজ বিচাৰ লোৱাৰ লগতে দুৰ্গত জনতাৰ দুখত দুখী হ'বলৈ হোজাইৰ বানপীড়িতৰ কাষত উপস্থিত হ'ল শিখা শৰ্মা, অসম তৃণমূল কংগ্ৰেছৰ মুখপাত্ৰ অৰূপজ্যোতি ভূঞা, ঘন চুটিয়া, তপন কলিতা, মানস চলিহাকে ধৰি এটি দল। দেখা পোৱা গৈছে যে হোজাই আৰু যমুনামুখৰ প্ৰায় ৭০ খন গাওঁ পানীৰ তলত। ২০ হাজাৰৰো অধিক লোক বানপানীত আক্ৰান্ত। কিন্তু এনে হোৱাৰ পিছতো চৰকাৰৰ সু-দৃষ্টিৰ পৰা বঞ্চিত হোজাইৰ বানাক্ৰান্ত। পাঁচ দিনৰ অন্তত দুই এক অঞ্চলত কিঞ্চিত সাহাৰ্য্য প্ৰদান কৰিব ধৰিছে যদিও সেয়া এপাচি শাকত এটা জালুক সদৃশ হৈ পৰিছে। কৃষিজীৱি জনতাৰ অৱস্থা আজি দুখ লগা। গৰু ছাগলী আদি কৰি ঘৰচীয়া জীৱৰ খাদ্য সংকট। সাধাৰণ জনতাৰ খোৱা পানীৰ অভাৱ। কিন্তু নিৰ্বাচিত



জনপ্ৰতিনিধি আৰু অসম চৰকাৰ নিৰ্বিকাৰ। আমি অসম তৃণমূল কংগ্ৰেছে চৰকাৰ, প্ৰশাসনৰ ওচৰত সজোৰে দাবী জনাও যে বানপীড়িত প্ৰতিজন নাগৰিকক এই সময়ত উচিত সাহাৰ্য, জীৱনৰ নিৰাপত্তা আৰু ক্ষতিপূৰণ দিব লাগে।

# হেলথ্ চিটী হাস্পতালত চিকিৎসাধীন হৈ থকা কৰ্মীক কংগ্ৰেছৰ সাহায্য

ৰঙিলী বাৰ্ত্তাসেৱা- অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ এটা প্ৰতিনিধি দলে গুৱাহাটীৰ "হেলথ্ চিটী" হাস্পতালত চিকিৎসাধীন হৈ দলৰ এগৰাকী নিষ্ঠাবান কৰ্মী তথা বৰ্তমান বাস্কা জিলা কংগ্ৰেছ কমিটীৰ সভাপতি ভূপেন দৈমাৰীৰ স্বাস্থ্যৰ বুজ লয়গৈ আৰু চিকিৎসাৰ বাবে ৫০,০০০ টকাৰ এখন "চেক" তেওঁৰ পত্নীৰ হাতত অৰ্পণ কৰে। উল্লেখযোগ্য যে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি ভূপেন কুমাৰ বৰাৰ নিৰ্দেশক্ৰমে দলৰ সাধাৰণ সম্পাদক অপূৰ্ব কুমাৰ ভট্টাচাৰ্য, সংবাদ মাধ্যম বিভাগৰ অধ্যক্ষ মনজিৎ মহন্ত, সম্পাদকদ্বয়



ৰফিকুল ইছলাম আৰু ক্ৰিদীপ বৰ্মন, যুটীয়া সম্পাদকদ্বয় জিণ্টু হাজৰিকা আৰু মুকুল আহমেদ, সংবাদ মাধ্যম বিভাগৰ সমন্বয়ক মুস্তাক গোলাম ওচমানিক লৈ গঠিত দলটোৱে হাস্পতাললৈ গৈ চিকিৎসাধীন নেতা গৰাকীৰ পৰিয়ালৰ সৈতে কিছু সময় অতিবাহিত কৰে আৰু প্ৰদেশ কংগ্ৰেছৰ তৰফৰ পৰা সকলো ধৰণৰ সহায়ৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে।

# অসমৰ বান পৰিস্থিতিক লৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সৈতে বাৰ্তালাপ কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ


ৰঙিলী বাৰ্ত্তাসেৱা- অসমৰ বান পৰিস্থিতিক লৈ উদ্বিগ্ন কেন্দ্ৰ।বান পৰিস্থিতিক লৈ উদ্বিগ্নতা প্ৰকাশ কৰিছে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে। অসমৰ সম্প্ৰতি বান পৰিস্থিতিত কেন্দ্ৰৰ পৰা সম্ভৱপৰ সকলো সহায়ৰ আশ্বাস কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ। এক টুইটযোগে অমিত শ্বাহে অসমৰ বান পৰিস্থিতিক লৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সৈতে বাৰ্তালাপ কৰাৰ কথা সদৰি কৰে। অসমীয়াতে টুইট কৰি অমিত শ্বাহে লিখিছে, "অসমৰ বিভিন্ন প্ৰান্তত হোৱা বানৰ বাতৰিত চিন্তিত হৈ



পৰিস্থিতিৰ বুজ ল'বলৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সৈতে বাৰ্তালাপ কৰোঁ। এন ডি আৰ এফৰ দল ইতিমধ্যে মোতায়েন কৰাৰ লগতে কেন্দ্ৰীয় চৰকাৰৰ তৰফৰ পৰা সম্ভৱপৰ সকলো সহায়ৰ আশ্বাস প্ৰদান কৰিছোঁ।" উল্লেখ্য যে, ৰাজ্যত সংহাৰী ৰূপ ধাৰণ কৰিছে বান পৰিস্থিতিয়ে। বানৰ কবলত ছয়খন জিলা। শ-শ গাঁও এতিয়া পানীৰ তলত। ৪ লক্ষাধিক লোক বানৰ কবলত পৰিছে। উজনি-নামনি সকলোতে বানত ককবকাইছে বানাক্ৰান্তই।

# অমৰনাথ তীৰ্থযাত্ৰীসকলৰ বাবে সুখবৰ

ৰঙিলী বাৰ্ত্তাসেৱা- ৩০ জুনৰ পৰা আৰম্ভ হ'ব অমৰনাথ যাত্ৰা। ২০২০ চনত মহামাৰীৰ প্ৰাদুৰ্ভাৱ দেখা দিয়াৰ পিছত এয়া প্ৰথম অমৰনাথ যাত্ৰা।যাত্ৰীৰ সুবিধাৰ্থে যাত্ৰাৰ সময়ত সকলো শ্ৰেণীৰ পৰিবহণ সেৱা বৃদ্ধিৰ নিৰ্দেশ দিছে মোদী চৰকাৰে।ক'ভিড-১৯ৰ বাবে অতিৰিক্ত স্বাস্থ্য সতৰ্কতা অৱলম্বন কৰিব কেন্দ্ৰীয় চৰকাৰেঅমৰনাথ যাত্ৰীৰ বাবে মোদী চৰকাৰৰ বৃহৎ পদক্ষেপ। অধিক উচ্চতাৰ কাৰণে, স্বাস্থ্যৰ সমস্যা থকাসকলৰ বাবে চৰকাৰে পৰ্যাপ্ত ব্যৱস্থা গ্ৰহণ কৰিছে। যাতায়াত, থকাৰ ব্যৱস্থা, বিদ্যুত, পানী, যোগাযোগ আৰু স্বাস্থ্য সেৱাসহ প্ৰয়োজনীয় সকলো সুবিধাৰ বাবে পৰ্যাপ্ত ব্যৱস্থা কৰাৰ নিৰ্দেশ দিছে মোদীয়ে। অমৰনাথ




তীৰ্থযাত্ৰীসকলৰ বাবে ৬,০০০ ফুটৰো অধিক উচ্চতাত পাব অক্সিজেন চিলিণ্ডাৰ আৰু মেডিকেল সুবিধা স্থাপন কৰা হ'ব ম'বাইল টাৱাৰ। জৰুৰীকালীন অৱস্থাত এম্বুলেঞ্চ আৰু হেলিকপ্টাৰো মোতায়েন কৰা হ'ব। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে নতুন দিল্লীত বাৰ্ষিক তীৰ্থযাত্ৰাৰ পৰ্যালোচনা কৰাৰ পিছত দুখনকৈ উচ্চস্তৰীয় বৈঠকত অংশগ্ৰহণ কৰি এই মন্তব্য কৰে।

# ভাৰতৰ অতিকেন্দ্ৰিক চৰিত্ৰৰ বিৰূদ্ধে জাতীয় অগ্নিস্ফুলিংগ পৰাগ কুমাৰ দাস

সুশান্ত দাস, গৌৰীসাগৰ, শিৱসাগৰ

অসমৰ জাতীয় সমাজ-ৰাজনৈতিক ক্ষেত্ৰত প্ৰয়াত পৰাগ কুমাৰ দাসৰ আত্মপ্ৰকাশ এক অতি উল্লেখযোগ্য বিষয়। যাক উপেক্ষা কৰি অসমৰ সমাজ-ৰাজনৈতিক ইতিহাস অসম্পূৰ্ণ।আশীৰ দশকৰ অসম আন্দোলনৰ সময়ছোৱাত আত্মপ্ৰকাশ কৰি অসমীয়া সংবাদ জগতত এক প্ৰকাৰৰ নতুন গণমুখী সাংবাদিকতাৰ ধাৰা প্ৰৱৰ্তন কৰা এজন অতি নিৰ্ভীক সাংবাদিক আছিল পৰাগ কুমাৰ দাস। পৰাগ কুমাৰ দাসৰ জন্ম হৈছিল শিলঙত, ১৯৬১ চনৰ ২৪ ফেব্ৰুৱাৰী তাৰিখে। গুৱাহাটীৰ চেনিকুঠি বালক বিদ্যালয়, এম চি এম ই স্কুল আৰু কটন কলেজিয়েট স্কুলৰপৰা এখেতে ক্ৰমে প্ৰাথমিক, মাধ্যমিক আৰু হাইস্কুলীয়া শিক্ষা সম্পন্ন কৰে। ১৯৭৭ চনৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত অসমৰ ভিতৰত চতুৰ্থ স্থান লাভ কৰে। কটন কলেজৰপৰা বিজ্ঞান শাখাত প্ৰাক-বিশ্ববিদ্যালয় পৰীক্ষাত অসমৰ ভিতৰত চতুৰ্থ স্থান অৰ্জন কৰে। দিল্লীৰ ছেইণ্ট ষ্টিফেন্স কলেজৰ পৰা অৰ্থনীতি বিভাগত সন্মানসহ প্ৰথম শ্ৰেণীৰ স্নাতক ডিগ্ৰী উপাধি লয় আৰু দিল্লীৰ 'স্কুল অৰ্ ইকনমিকছ'ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। অত্যন্ত মেধাৱী আৰু কৰ্মোদ্যোগী পৰাগ কুমাৰ দাসে আশীৰ দশকত অসমীয়া আলোচনী 'প্ৰান্তিক' আৰু 'দ্যা ছেণ্টিনেল' কাকতৰ নিয়মীয়া স্তম্ভ লেখক হিচাপে সাংবাদিক-জীৱন আৰম্ভ কৰিছিল সাংবাদিকতাত একনিষ্ঠভাৱে নিজকে উচৰ্গা কৰাৰ পূৰ্বে প্ৰথমে তেওঁ আছিল বেংকৰ বিষয়া আৰু তাৰ পাছতে গুৱাহাটী ষ্টক এক্সচেঞ্জৰ মহাপ্ৰবন্ধক। কিন্তু তেনে চাকৰিও ত্যাগ কৰি পৰাগ কুমাৰ দাসে ১৯৮৯ চনৰ পৰা সাপ্তাহিক 'বুধবাৰ' কাকতৰ সম্পাদক হিচাপে সাংবাদিকতাৰ জগতত সক্ৰিয়ভাৱে প্ৰৱেশ কৰিছিল। তাৰ পাছতে ক্ৰমে ১৯৯৪ চনত 'আগান' আৰু ১৯৯৫ চনত 'অসমীয়া প্ৰতিদিন' কাকতৰ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। এজন নিৰ্ভীক আৰু সত্যনিষ্ঠ সাংবাদিক হিচাপে পৰাগ কুমাৰ দাসে অসমৰ সংবাদ-জগতলৈ আগবঢ়োৱা অৱদানৰ তাৎপৰ্য আৰু সাম্প্ৰতিক কালত সিবিলাকৰ প্ৰাসংগিকতাও যথেষ্ট আছে। কাৰণ, অসমৰ অৰ্থনীতি, কেন্দ্ৰৰ ঔপনিৱেশিক শোষণ, জনগোষ্ঠীয় গাঁঠনি, বহিৰাগত সমস্যা আদিৰ বিষয়ে সততে চিন্তিত হৈ থকা পৰাগ কুমাৰ দাসে আশীৰ দশকৰ অসম আন্দোলন তথা আলফাৰ উত্থানৰ বিষয়টোক সুক্ষ্মভাৱে নিৰীক্ষন কৰিছিল আৰু তেওঁলোকৰ লক্ষ্য, নীতি, আদৰ্শ, কাৰ্যাৱলী আদিৰ সম্পৰ্কত সূক্ষ্ম আৰু নিৰ্মোহ সমালোচনা আগবঢ়াই অসমীয়া জাতীয় চেতনাক সঠিক গতিপথৰ সন্ধান দিবলৈ নিৰন্তৰ চেষ্টা কৰি গৈছিল। অসম আন্দোলনৰ প্ৰেক্ষাপটলৈ লক্ষ্য কৰিলে দেখা যায় যে বৃটিছৰ শাসনকালৰ পৰা আৰম্ভ কৰি স্বাধীনোত্তৰ কালৰ বিভিন্ন চৰকাৰৰ সময়লৈকে অসমৰ থলুৱা সম্পদৰ ওপৰত কেন্দ্ৰৰ ঔপনিৱেশিক শোষণ চলি আহিছিল। অসমৰ পৰা বহিৰাজ্যলৈ লৈ যোৱা কয়লা, খাৰুৱা তেল, গেছ, পেট্ৰলিয়াম, চাহপাত আদিৰ বিনিময়ত দিবলগীয়া ন্যায্য ৰয়েলটি বা প্ৰাপ্যৰ পৰা অসমক যুগ যুগ ধৰি বঞ্চিত কৰি অহা হৈছিল।তাৰোপৰি পূৰ্ববংগৰ পৰা চলি থকা অবৈধ বাংলাদেশী প্ৰব্ৰজনে অসমৰ আৰ্থ-সামাজিক ক্ষেত্ৰতো যথেষ্ট সমস্যাৰ সৃষ্টি কৰিছিল।এনে এক প্ৰেক্ষাপটতে অসমৰ অস্তিত্ব ৰক্ষাৰ বাবে অসম আন্দোলনৰ সূচনা হৈছিল আৰু আন্দোলনে ৰাজপথ কঁপাই তুলিছিল। তাৰ পাছতে নৱৈৰ দশকত উত্থান ঘটিছিল আলফাৰ দৰে সশস্ত্ৰ বিদ্ৰোহী সংগঠনৰ।আলফাৰ উত্থানে দুৰ্নীতিগ্ৰস্ত চৰকাৰৰ ভেঁটি কঁপাই তুলিছিল। ফলত আলফাক দমন কৰাৰ নামত নিৰপৰাধী ৰাইজৰ ওপৰত পুলিচ-মিলিটেৰীৰ অত্যাচাৰ বৃদ্ধি পাইছিল। পৰাগ কুমাৰ দাসে এই সমস্ত ঘটনাৱলীক সূক্ষ্মভাৱে নিৰীক্ষণ কৰিছিল আৰু তেৰোঁ উপলব্ধি কৰিছিল যে অসমত ঔপনিৱেশিক শাসন-শোষণ চলি থকালৈকে অসম আৰু অসমীয়া জাতিৰ সাৰ্বিক বিকাশ কেতিয়াও সম্ভৱপৰ নহয়। বিশেষকৈ আলফাৰ চিন্তা-চৰ্চা আৰু কৰ্ম পদ্ধতিৰ সূক্ষ্ম পৰ্যবেক্ষণৰ অন্তত তেওঁ বিভিন্ন লেখাৰ জৰিয়তে আলফাৰ প্ৰতি থকা তেওঁৰ সমৰ্থন মুকলিকৈ প্ৰকাশো কৰিছিল। আলফাৰ চিন্তা-চৰ্চা আৰু কৰ্ম পদ্ধতিৰ সৈতে তেওঁৰ কিছুমান মৌলিক পাৰ্থক্য থকা সত্বেও আলফাৰ স্বাধীন অসমৰ বিতৰ্কিত দাবীটোক ন্যায্য বুলি প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰিছিল। বিভিন্ন কাকতত প্ৰকাশিত সংবাদধৰ্মী লেখাসমূহৰ উপৰিও পৰাগ কুমাৰ দাসে অসমৰ আৰ্থ-সামাজিক সমস্যাৱলীক লৈ কেইবাখনো গ্ৰন্থ ৰচনা কৰিছিল। তেওঁৰ প্ৰকাশিত গ্ৰন্থ কেইখন আছিল-ছাংলট ফেনলা, স্বাধীনতাৰ প্ৰস্তাৱ, নিষিদ্ধ কলম আৰু অন্যান্য, আমি যি কথা কৈছিলো, ৰাষ্ট্ৰদ্ৰোহীৰ দিনলিপি, মোক স্বাধীনতা লাগে, স্বাধীন অসমৰ অৰ্থনীতি আদি। তেওঁৰ 'স্বাধীন অসমৰ অৰ্থনীতি' এনে



এখন গ্ৰন্থ য'ত অসমৰ থলুৱা পুঁজিৰ তথ্যসমৃদ্ধ ইতিহাসৰ উপৰি এই পুঁজিৰ পুনৰ্গঠন, বিকাশ আৰু প্ৰচুৰ সম্ভাৱনীয়তাৰ বিষয়ে যুক্তিনিষ্ঠভাৱে তেওঁ আলোচনা কৰিছে। সেইদৰে 'ছাংলট ফেনলা' নামৰ জনপ্ৰিয় উপন্যাসখনিৰ মাজেৰে তেওঁ সংযুক্ত মুক্তি বাহিনী, অসম অৰ্থাৎ আলফাৰ উত্থান আৰু অৱক্ষয়, অসমৰ সমাজ জীৱনত সংগঠনটোৰ প্ৰভাৱ আদিৰ নিৰ্মোহ চিত্ৰ অংকণ কৰাৰ লগতে আলফাৰ সংগ্ৰামৰ যুক্তিযুক্ততাও ব্যক্ত কৰিছিল। সাংবাদিক পৰাগ কুমাৰ দাস আছিল ন্যায়, সততা আৰু মানৱতাৰ একনিষ্ঠ সেৱক। পৰাগ কুমাৰ দাসে আলফাৰ সশস্ত্ৰ সংগ্ৰাম পদ্ধতি আৰু বিশেষকৈ হত্যা কাৰ্যক কেতিয়াও সমৰ্থন কৰিব পৰা নাছিল। 'ছাংলট ফেনলা' উপন্যাসৰ জৰিয়তে সেয়ে তেওঁ আলফাৰ সশস্ত্ৰ সংগ্ৰামৰ বিৰুধীতা কৰিছিল আৰু বিভিন্ন লেখা-মেলাৰ জৰিয়তে আলফাৰ সংগ্ৰাম-পদ্ধতিৰ পৰিৱৰ্তনৰ বাবে চেষ্টা কৰিছিল। কিন্তু আলফাৰ হিংসাত্মক কাৰ্যকলাপসমূহক তেওঁ কঠোৰভাৱে সমালোচনা কৰাৰ পাছতো অসমৰ দুৰ্যোগপূৰ্ণ জাতীয় সংকটৰ সময়ত আলফাৰ বিকল্প নাই বুলিও বাৰে বাৰে উল্লেখ কৰিছিল আৰু এই কথাৰ বাবেই এচাম বুদ্ধিজীৱীৰিয়ে তেওঁক আলফাৰ সৈতে যুক্ত কৰিছিল। প্ৰকৃততে পৰাগ কুমাৰ দাস আছিল মানৱ-অধিকাৰ উলংঘন কৰা শক্তিসমূহৰ ঘোৰ বিৰুধী। অসম আন্দোলন আৰু আলফাৰ উত্থানক মথিমূৰ কৰিবলৈ কেন্দ্ৰ চৰকাৰে চেষ্টা কৰাৰ ফলস্বৰূপে সৰ্বসাধাৰণ নাগৰিকৰ নিৰাপত্তা নোহোৱা অৱস্থাত জনসাধাৰণৰ নিৰাপত্তা আৰু গণতান্ত্ৰিক অধিকাৰৰ কথা চিন্তা কৰি সেয়ে তেওঁ অসমৰ বুদ্ধিজীৱী সকলক ঐক্যবদ্ধ কৰি ১৯৯৪ চনত 'গণতান্ত্ৰিক অধিকাৰ সংগ্ৰাম সমিতি (গছ) 'গঠন কৰি অতিকেন্দ্ৰিক ৰাষ্ট্ৰব্যৱস্থা আৰু ভ্ৰষ্টাচাৰৰ বিৰুদ্ধে সংগ্ৰামত অৱতীৰ্ণ হৈছিল। মানৱ অধিকাৰ সংগ্ৰাম সমিতিৰ মঞ্চৰ পৰা তেওঁ সাধাৰণ নাগৰিকৰ জীৱনৰ নিৰাপত্তাৰ বাবে দাবী জনাইছিল আৰু সেনাৰ বৰ্বৰ অত্যাচাৰৰ প্ৰতিবাদ কৰিছিল। সামৰিক নিৰ্যাতন চল-চাতুৰিৰে আলফাক ধ্বংস কৰাৰ ব্লুপ্ৰিন্টৰ লগে লগে এই গণতান্ত্ৰিক সংগ্ৰামখনকো তাৰ গইনা লৈ শেষ কৰাৰ ষড়যন্ত্ৰ চলিছিল। যাৰ বাবেই একাধিক বাৰ কাৰাগাৰলৈ নিক্ষেপ কৰা হৈছিল জাতীয় ছহিদ পৰাগ কুমাৰ দাসক। কাৰণ একমাত্ৰ পৰাগ কুমাৰ দাসেই হিতেশ্বৰ শইকীয়া নেতৃত্বাধীন ভ্ৰষ্টাচাৰী কংগ্ৰেছ নেতৃত্বৰ বিৰূদ্ধে অসমৰ জাতীয় বুদ্ধিজীৱী সকলক ঐক্যবদ্ধ কৰি গনতান্ত্ৰিক অধিকাৰ সংগ্ৰাম সমিতি(গছ) গঠন কৰি অতিকেন্দ্ৰিক ৰাষ্ট্ৰব্যৱস্থা আৰু ভ্ৰষ্টাচাৰৰ বিৰূদ্ধে সংগ্ৰামৰ বিকাশ সাধন কৰিছিল। মানৱ অধিকাৰ সংগ্ৰাম সমিতি গঠনেৰে বৰ্বৰ সেনা অভিযান, নিৰ্যাতন, ৰাষ্ট্ৰৰ ভেৰোণীয়া বাহিনীৰ দ্বাৰা হত্যা-ধৰ্ষণ আদিৰ প্ৰতিবাদ কৰি অসমবাসীৰ মনত মানৱ অধিকাৰৰ চেতনাৰ বিকাশ কৰা মুল হোতা জন আছিল পৰাগ কুমাৰ দাস। কেৱল চেতনাৰ বিকাশ কৰাই নহয়, অসমৰ জাতীয় বুদ্ধিজীৱী-সাহিত্যিক-সাংবাদিক-ক্ৰীড়াবিদ সকলোকে একেখন মঞ্চ ঠিয় কৰাই মানৱ অধিকাৰৰ বাবে সংগ্ৰামৰ নেতৃত্ব দিব পাৰিছিল। পৰাগ দাসৰ আহ্বানত সহাঁৰি জনাই হেজাৰ হেজাৰ জনতাই ৰাজপথ উত্তাল কৰি দিল্লীৱালাৰ বুকুত কঁপনি তুলিবলৈ সক্ষম হৈছিল। সেনাবাহিনীক বধ্যভূমিৰ পৰা বেৰেকলৈ উভোটাই আনিবলৈও বাধ্য হৈছিল চৰকাৰ। অসমৰ জাতীয় ইতিহাসত এয়া এক অতি উল্লেখযোগ্য ঘটনা। তেওঁৰ প্ৰতি আগবঢ়োৱা মতামত সমূহ অলপ অবলোকন কৰিছোঁ:

হীৰেন গোহাঁইৰ মতে, "পৰাগ কুমাৰ দাসে ৰাষ্ট্ৰৰ চৰ্দাৰিৰ বাহিৰত অসমৰ জাতীয় উন্নয়নৰ কথা কৈছিল, আমাৰ সম্পদৰ ভিত্তিত আমাৰ নিয়ন্ত্ৰণত অসমৰ উন্নয়ন ঘটোৱাৰ কথা কৈছিল। তেওঁ নিজৰ চিন্তা আৰু কৰ্মৰে যি পৰিৱেশ ৰচনা কৰিছিল, অসমৰ যুৱ সমাজক যেনেদৰে আলোড়িত কৰিছিল, আজি তাৰ কণমাত্ৰ অৱশেষ বিচাৰিও হাবাথুৰি খাব লাগে। পৰাগ কুমাৰ দাস এজন ব্যক্তি নাছিল, তেওঁ আছিল এক জীৱন্ত শক্তি। বঞ্চিত, শোষিত অসমৰ সৃষ্টিকামী যুৱসমাজৰ মুক্তমনা আত্মপ্ৰতিষ্ঠাৰ আকাংক্ষাৰ তেওঁ মুখপাত্ৰ আছিল।"

ময়ূৰ বৰাৰ মতে, "পৰাগ কুমাৰ দাসৰ কলম অসম আৰু অসমীয়া বিৰোধী শক্তিবোৰৰ বাবে ত্ৰাসৰ কাৰণ হৈ পৰিছিল। ষ্টক এক্সচেঞ্জৰ মহাপ্ৰবন্ধকৰদৰে লোভনীয় চাকৰি ইস্তফা দি দাসে কথা আৰু কামৰ জৰিয়তে আমাৰ মানুহক অন্যায়ৰ বিৰুদ্ধে একত্ৰিত কৰিছিল। অতিকেন্দ্ৰিক ৰাষ্ট্ৰ ব্যৱস্থাৰ শোষণকাৰী চৰিত্ৰ উন্মোচন কৰি অসমৰ অৰ্থনৈতিক উন্নয়নক নতুন জীৱন-দৃষ্টি আৰু বীশ্ববীক্ষাৰে তেওঁ দাঙি ধৰিছিল।"

অজিত কুমাৰ ভূঞাৰ মতে পৰাগ কুমাৰ দাসৰ মৃত্যুক 'পৰ্বততকৈয়ো গধুৰ' বুলি কৈছে।

মনোৰম গগৈৰ মতে, "পৰাগ দা প্ৰকৃতাৰ্থত আছিল সত্য, ন্যায় আৰু মানৱতাৰ একনিষ্ঠ পূজাৰী। সুতীক্ষ্ণ মেধা আৰু প্ৰচণ্ড কৰ্মশক্তিৰ অধিকাৰী এই মানুহজনৰ সকলো চিন্তা কেন্দ্ৰীভূত হৈছিল স্বদেশ আৰু স্বজাতিৰ প্ৰতি থকা গভীৰ ভালপোৱাত, মানুহ আৰু সমাজৰ প্ৰতি থকা সীমাহীন দায়বদ্ধতাত।"

টুনুজ্যোতি গগৈৰ মতে, "পৰাগ কুমাৰ দাসৰ জীৱনাদৰ্শৰ সবাটোকৈ অনুকৰণীয় আৰু ইতিবাচক দিশটো আছিল নিভাঁজ অসম প্ৰেম আৰু আপোচহীন প্ৰতিবাদী সত্তা।"

তেওঁ "স্বাধীনতাৰ প্ৰস্তাৱ" নামৰ কিতাপখনৰ বাবে চৰকাৰী ৰোষত পৰিবলগীয়া হয়। ১৯৯২ আৰু ১৯৯৩ চনত পৰাগ কুমাৰ দাসক ক্ৰমে 'ৰাষ্ট্ৰীয় নিৰাপত্তা আইন' আৰু 'টাডা আইন'ৰ অধীনত গ্ৰেপ্তাৰ কৰা হয়। তেখেতৰ ৰছিত 'স্বাধীনতাৰ প্ৰস্তাৱ' নামৰ কিতাপখন চৰকাৰে নিষিদ্ধ ঘোষণা কৰি বাজেয়াপ্ত কৰে। ১৯৯১ চনৰপৰা পৰাগ কুমাৰ দাসে "মানৱ অধিকাৰ সংগ্ৰাম সমিতি"ৰ আহ্বায়ক আৰু পিছলৈ সচিব প্ৰধান হিচাপে কৰ্যনিৰ্বাহ কৰিছিল। "উত্তৰ-পূব মানৱ অধিকাৰ সমন্বয় ৰক্ষী সমিতি"ৰ সচিব প্ৰধান আছিল। ক্ৰমে ১৯৯২ আৰু ১৯৯৪ চনত গঠিত "বাক্ স্বাধীনতা সংগ্ৰাম সমিতি" আৰু "গণতান্ত্ৰিক অধিকাৰ সংগ্ৰাম সমিতি"ৰ সক্ৰিয় নেতা আছিল। বিগত বহু বছৰ ধৰি এটা অমীমাংসিত প্ৰশ্ন হিচাপে ৰৈ থাকি আজি এটা গভীৰ সমস্যা ৰূপে দেখা দিয়া অবৈধ বাংলাদেশী প্ৰব্ৰজনৰ সমস্যাটোৰ সন্দৰ্ভত পৰাগ কুমাৰ দাসৰ নিজস্ব চিন্তা-দৰ্শন কেনে আছিল সেই বিষয়েও আলোচনা কৰাৰ প্ৰয়োজনীয়তা নিশ্চয় আছে। এই কথা সত্য যে, বহু বছৰ ধৰি অসমত চলি থকা অবৈধ প্ৰব্ৰজনৰ ফলস্বৰূপে অসমৰ আৰ্থ-সামাজিক, ভাষিক-শৈক্ষিক, ৰাজনৈতিক আদি সকলোবোৰ ক্ষেত্ৰতে ব্যাপক প্ৰভাৱ পৰিব বুলি বিশ্বাস কৰা সত্বেও কিন্তু তেওঁ তথাকথিত অন্য উগ্ৰ জাতীয়তাবাদী সকলৰ

( নপৃষ্ঠাত চাওক)

# সংগ্ৰাম

কৌশল্যা বৰা



টোপাল -সৰা ৰাতিলৈকে নৰীয়া মানুহটোক প্ৰতিপাল কৰি থাকি ভাগৰ, টোপনিয়ে হেঁচি ধৰিছিল তাইক। কাষতে এবাগৰ মাৰি ল'ব খোজোঁতেই জপনা মুখত গাড়ীৰ হৰ্ণ। ইঞ্জিনীয়াৰৰ পুতেকে চিঞৰি ক'লে-'ঐ মালতী, জোৰোণ সোনকালে পাবহি। পুৰা ছয় বজাত পোৱাকৈ আহিবি, নোৱাৰিলে বেলেগ মানুহ বিচাৰিম -।'-উদং ঘৰখনৰ অবাধ্য আদেশ। বাহিৰৰ পৰা দুৱাৰ খন জপাই তাই ওলাই গ'ল। অন্ততঃবেমাৰী মানুহটোৰ বাবে দুটামান ঔষধ আৰু ভালকৈ এমুঠি ভাত--। চহকী লোকৰ বিয়াঘৰৰ জাক্-জমকীয়া পৰিৱেশও মালতীৰ বাবে যম নগৰ যেন লাগিছে। আনহাতে যাতনাৰ বলিশাল হ'লেও বিয়াঘৰৰপৰা তাইক পৰে পৰে মাতি আছে নিজৰ পঁজাটোৱে। পুৰাতন বেলিটোক যেন হেঁচি ধৰিব তাই। ছুটিৰ সময়ত মালিকক দুটামান টকা বেছিকৈ বিচাৰিলে। কিন্তু, বিলাসী কাৰেঙৰ খিড়িকীৰে দুখীয়াৰ জুহাল নেদেখিলে মালিকে। অভাৱগ্ৰস্ত জীৱনে দিব পৰা যান্ত্ৰণাৰ ওপৰেদি খোঁজ দিয়াৰ সামৰ্থৰে তাই উলটিল নিজৰ সৰু জুপুৰিটোলৈ....।

# গোলাঘাটৰ বিশিষ্ট নাগৰিক উমেশ লহকৰৰ মৃত্যুঃ শোক প্ৰকাশ গোলাঘাট বাসীৰ

ৰঙিলী বাৰ্ত্তাসেৰা- গোলাঘাটৰ জ্যোতি বঁটা প্ৰাপ্ত তথা বন ঔষধ বিশেষজ্ঞ উমেশ লহকৰৰ ১৯ মে' ২০২২ তাৰিখে বিয়লি চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। চিৰকুমাৰ লহকৰ ডাঙৰীয়াৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৭৯ বছৰ। গোলাঘাটৰ পুৰণি হোটেল 'মধুৰমৰ' স্বত্বাধীকাৰী আছিল তেখেত। তেওঁৰ গোলাঘাট ৰঙাজানত এখন বন ঔষধৰ বাগিছা আছিল, য'ত আপুৰুগীয়া বনঔষধি গছ আছে। এনে এগৰাকী মানৱ দৰদী আৰু গছ-গছনি ভাল পোৱা বিশিষ্ট ব্যক্তিক গোলাঘাট পৌৰসভাই 'গোলাঘাট জ্যোতি বঁটা' প্ৰদান কৰিছিল। এনে এজন বিশিষ্ট ব্যক্তিৰ মৃত্যুত জিলাখনৰ বিভিন্ন অনুষ্ঠান- প্ৰতিষ্ঠান আৰু বিশিষ্ট ব্যক্তিয়ে গভীৰ শোক প্ৰকাশ কৰিছে।



# ব'হাগৰ স্তৱক

সংগীতা বৰুৱা,গুৱাহাটী



(১)
ব'দৰ দৰে আছিল যেতিয়া কথাবোৰ ফটফটীয়া, ফুলৰ দৰে আছিল শব্দবোৰৰ শৃংখলা,
উন্মাদ ফাগুন মোৰ একাত্ম এতিয়াৰ নাছিল।
বহু যুগৰ আগতেই ফাগুনৰ বুকুত বৰঘৰ সাজিছিল বসন্তই
সেউজীয়াবোৰ জিৰাবলৈ খুলি দিছিল ব'হাগৰ বিশাল বক্ষ
মই ঋতু, তই বসন্ত!
(২)
সেইয়া কি সহজ আছিল ?
গছবোৰৰ কলিজাত কুঁহিপাতৰ সাধু লিখাৰ ;
মই নজনাকৈয়ে ফাগুনে লিখিছিল ব'হাগৰ বুকুত বসন্তৰ ইচ্ছাপত্ৰ!
মই কেৱল এমুঠি সেউজীয়াক নিজৰ কৰি লৈছিলোঁ!
(৩)
নাহৰৰ পাতত শুভেচ্ছা লিখি বৰখুটাত আঁৰি থোৱাৰ বতৰ এইয়া
উন্মাদ ফাগুনক বুকুত কঢ়িয়াই সেউজীয়া হোৱাৰ সময় আহিছে
তই তগবগাই উঠিছ
মই দুহাতত সানি ল'ব খুজিছোঁ
তই জেতুকা হৈ ৰঙাই তুলিছ মোৰ সোণবৰণীয়া দুহাত।
তই ব'হাগ, মই আলফুলীয়া কোঁহ!
(৪)
এইবাৰো বৰদৈচিলাই লৈ যাব নাহৰৰ পাতত শুভেচ্ছা পত্ৰ
আৰু তই আজীৱন কঢ়িয়াবি মোক নাহৰৰ দীঘলীয়া পাতত!!
মই সেউজীয়া হৈ পৰিছোঁ, তই দুবাহুত সাৰটি ধৰিছ মোক
মই ব'হাগ, তই প্ৰকৃতি!

# কৃষ্ণচূড়া ফুলিছে

শিখা গোস্বামী মহন্ত



কৃষ্ণচূড়া ফুলবোৰৰ কথাই পাতি আছিলোঁ
হঠাৎ ডুলি ডুলি পলাশ-মডাৰ
যেন আকাশ জ্বলাই জুইফুল
যেন ফাগুন ফাগুন..
সোণাৰু ফুলবোৰ চাই চাই ভাবি আছোঁ
এখন হালধীয়া চুৰ্ণীৰ উৰণ
এটি হালধীয়া পখিলা আৰু
হালধীয়া পৰা এটি উছৱৰ কথা
ডুলি ডুলি ডুলি আছে
কৃষ্ণচূড়া ফুলবোৰ ফুলাৰ পৰা...
ৰঙে জকেমকাই কৃষ্ণচূড়া
আকৌ ফুলিছে
এডেওদুডেওকৈ বাঢ়ি আহিছে
ৰঙৰ প্ৰতি অনুৰাগ
বাজি উঠিছে আকাশৰ বুকুত ৰক্তৰাগ
যিহেতু আকৌ ফুলিছে কৃষ্ণচূড়া
বুকুৰে বুকুৰে এতিয়া বহাগ..

# এখন সাকোঁ

ডঃ প্ৰশান্ত চক্ৰৱৰ্তী, বাংলা বিভাগ কটন বিশ্ববিদ্যালয়



ইয়াণ্ডাবু সন্ধিৰ পিছত অসমত প্ৰথমখন চৰকাৰী স্কুল স্থাপিত হয় ১৮৩৪ চনত। এই স্কুলখনেই হৈছে বৰ্তমানৰ কটন কলেজিয়েট স্কুল। প্ৰাতঃস্মৰণীয় ভাৰতৰ পঞ্চমজন চিভিলিয়ান সংস্কৃত পণ্ডিত আনন্দৰাম বৰুৱাকে কৰি ভাৰতৰত্ন ডঃ ভুপেন হাজৰিকা এই স্কুলৰ ছাত্ৰ। ১৯ শতিকাত এইখন স্কুলত বঙ্গদেশৰ পৰা এজন বঙালী ভদ্ৰলোকে প্ৰধান শিক্ষকৰূপে যোগদান কৰে। তেওঁৰ নাম আছিল জন্মেজয় দাস। তেওঁৰেই অনুপ্ৰেৰণাত আনন্দৰাম বৰুৱা, বলিনাৰায়ণ বৰা, জানলুৰ আলি আহমেদ আৰু শিৱৰাম বৰা বিলাতলৈ গৈছিল। গিলখ্ৰাইস্ট বৃত্তি লাভ কৰা বলিনাৰায়ণ হ'ল অসমৰ প্ৰথমজন ইঞ্জিনিয়াৰ। তেওঁ বিখ্যাত "মৌ" পত্ৰিকাৰ সম্পাদক আছিল আৰু বিয়া কৰাইছিল বঙ্গৰ স্বনামধন্য চিভিলিয়ান আৰু ঔপন্যাসিক ৰমেশচন্দ্ৰ দত্তৰ মাজু জীয়ৰী বিমলাক। অসমীয়া ভাষা বাংলাৰ উপভাষা নে স্বতন্ত্ৰ ভাষা বৃটিছ প্ৰশাসনে ৰমেশবাবুৰ পৰা জানিব বিচাৰিছিল। তেখেতে এখন দীঘল শব্দৰ তালিকা প্ৰস্তুত কৰি অসমীয়া ভাষাক প্ৰতিষ্ঠা কৰা ক্ষেত্ৰত অগ্ৰণী ভূমিকা গ্ৰহণ কৰে। মজাৰ কথা যে তেওঁ বঙালী হৈয়ো অসমীয়াক সমৰ্থন কৰিছিল আৰু তেওঁৰ জোঁৱায়েক বলিনাৰায়ণ অসমীয়া হৈয়ো অসমত বাংলা ভাষা প্ৰচলন হোৱা বিচাৰিছিল। বিশিষ্ট অসমীয়া পণ্ডিত ডঃ সূৰ্যকুমাৰ ভূঞাই জন্মেজয় দাসক অসমৰ টমাচ আৰ্ণল্ড বুলি অভিহিত কৰিছে। ডঃ ভূঞাই উল্লেখ কৰা মতে অসমত ইংৰাজী শিক্ষাৰ আৰম্ভণি আৰু বিস্তাৰ জন্মেজয় দাস নামৰ বঙালী শিক্ষকজনৰ পৰাই আৰম্ভ হৈছিল। জন্মেজয় দাসৰ প্ৰথমা পত্নী আছিল বঙ্গদেশীয় আৰু তেওঁৰ অকালতে মৃত্যু হয়। জন্মেজয় বাবুৱে পৰৱৰ্তী সময়ত এগৰাকী সুন্দৰী অসমীয়া তৰুণীক বিবাহ কৰাই নিগাজীকৈ অসমত থাকি যায়। ভাৰি চাওকচোন, অসমীয়া-বঙালীৰ মাজত বিবাহ সম্পৰ্ক সেই তাহানিৰ দিনৰে পৰা চলি আহিছে। সেই সময়ত অসম আছিল এখন দুৰ্গম ৰাজ্য। পথ-ঘাট নাই, একমাত্ৰ নদীপথেই ভৰসা। বঙ্গীয় পুৰুষসকলে কামাখ্যা দৰ্শন কৰিবলৈ আহিছিল কিন্তু ইয়ালৈ আহি দুৰ্গম যাতায়ত ইত্যাদিবোৰৰ কথা ভাৰি অনেকেই থাকি গ'ল। স্থানীয় ছোৱালীক বিয়া-বাৰু কৰাই ঘৰ-সংসাৰ পাতি বহিল। সেই সময়ত সমাজ আছিল মাতৃতান্ত্ৰিক আৰু খাচীসকলৰ মাজত এতিয়াও সেই নিয়ম আছে। এই যে পুৰুষসকল কামৰূপলৈ আহি ভেড়া হৈ যায় সেই লোকশ্ৰুতি এইবোৰ কাৰণতে সৃষ্ট বুলি কটন কলেজৰ বিখ্যাত বঙালী পণ্ডিত পদ্মনাথ বিদ্যাবিনোদে জনাইছে। এই পদ্মনাথেই হ'ল অসম সাহিত্য সভাৰ মূল প্ৰস্তাৰক। দৰাচলতে টো খেলা সেউজীয়া পাহাৰ, প্ৰাণ প্ৰবাহৰ দৰে নদী আৰু বিস্তীৰ্ণ উপত্যাকা, অসমৰ উদাৰ প্ৰকৃতি

(আঠপৃষ্ঠাত চাওক)

# হেমকোষৰ কথা

অঞ্জু শাণ্ডিল্য

প্ৰাইমাৰী স্কুলত থাকোতে, নজনা শব্দৰ অৰ্থ জানিবলৈ 'হেমকোষ' অভিধানখন আলমাৰিৰ পৰা উলিয়াব খুজিলেই দেউতাই নিজে আগবাঢ়ি আহি উলিয়াই দিয়ে। জানোচা, অসাৱধানবশতঃ আমাৰ কণমানি হাতৰ পৰা গধুৰ 'হেমকোষ'খন পৰি যাব পাৰে। বৰ আটোমটোকাৰিকৈ থৈছিল। দেউতাৰ লাইব্ৰেৰীসদৃশ আলমাৰিৰ ওপৰৰ খাপত ভাগৱত, কীৰ্তন আদি শাস্ত্ৰ সজাই থোৱা শাৰীতে থৈছিল 'হেমকোষ'খন। আমি জানিব খোজা শব্দৰ অৰ্থ বিচাৰি দেউতাৰ কাষ চাপিলো, দেউতাই সাৱধানে 'হেমকোষ'খন উলিয়াই আনি বুজাই দিছিল।তাৰ পাছত আকৌ আলমাৰিত থৈ দিছিল। সৰুৰে পৰা 'হেমকোষ'খন দেখি দেখি নজনা শব্দৰ অৰ্থ বিচাৰি সেইখনৰ প্ৰতি আকৰ্ষিত হৈ পৰিছিলো। ইমানবোৰ শব্দৰ অভিধানখন দেখি এদিন দেউতাক কৈছিলো- ইমান ডাঙৰ কিতাপ! কেনেকৈ লিখিলে বাৰু?

হেমচন্দ্ৰ বৰুৱাই জীৱনৰ সৰহভাগ সময় 'হেমকোষ'ৰ ৰচনাতে পাৰ কৰিছিল । কিন্তু মানুহজনৰ মৃত্যুৰ পাচতহে 'হেমকোষ' খন প্ৰকাশ হৈছিল। তাকো হেম গোহাঁই আৰু গৰ্ডন চাহাবৰ চেষ্টাতহে।

: হেম গোহাঁইনো কোন ?

: সেই সময়ৰ অসমৰ ছাব ডেপুটী কালেক্টৰৰ পদত থকা হেমচন্দ্ৰ গোস্বামী। পাচত হেমচন্দ্ৰ বৰুৱা, হেমচন্দ্ৰ গোস্বামী, এডৱাৰ্ড গেইট, কৰ্নেল গৰ্ডন আদিৰ অশেষ চেষ্টাৰ ফলত হে হেমকোষ প্ৰকাশ হৈ ওলাইছিল জানিব পাৰিছিলো । ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাৰ জীৱনজোৰা সাধনা-শ্ৰমৰ বাবেই 'হেমকোষ' পাণ্ডুলিপি প্ৰস্তুত হৈছিল আৰু হোমচন্দ্ৰ গোস্বামী, এডৱাৰ্ড গেইট, গৰ্ডন চাহাবৰ অহোপুৰষাৰ্থ চেষ্টাত ১৯০০ চনৰ আগষ্ট মাহত 'হেমকোষ' প্ৰকাশ হৈছিল । বিবাহসূত্ৰে গুৱাহাটীলৈ আহি স্বামীগৃহতো 'হেমকোষ' খন দেখি সন্তোষ পাইছিলো। শহুৰ দেউতাৰ নাম 'হেমকোষ' খনৰ প্ৰথমটো উকা পৃষ্ঠাতে লিখা আছিল। 'হেমকোষ' খন দেখিয়েই গম পাইছিলো, হেমচন্দ্ৰ বৰুৱাৰ অমৰ সৃষ্টি 'হেমকোষ', এইখন ঘৰতো কিমান যতনে ৰাখিছে। এইখন 'হেমকোষ' ১৯৮৫ চনতেই প্ৰকাশ হোৱা। ১৯০০ চনৰ পৰা আজিলৈকে 'হেমকোষ'ৰ কিমান আদৰ।




প্ৰথমবাৰ যেতিয়া বাতৰি কাকতত লিখাৰ বাবে মাননি লাভ কৰিছিলো, তেতিয়া আব্দুল গফুৰ আহমেদে কৈছিল- সেই পইচাৰে 'হেমকোষ' এখন কিনি লোৱা । স্বামীগৃহত থকা 'হেমকোষ' খন সম্পদনা কৰি প্ৰকাশ কৰিছিল দেৱানন্দ বৰুৱাই । মাত্ৰ এইখনেই নহয়, ১৯৪১ আৰু ১৯৫৫ চনত 'হেমকোষ'ৰ দুটাকৈ সংস্কৰণৰ সম্পাদনা আৰু প্ৰকাশ কৰিছিল আনন্দৰাম বৰুৱাই। আনহাতে, তাৰ পাচৰ ৯টা সংস্কৰণৰ প্ৰকাশ আৰু সম্পাদনা কৰিছিল দেৱানন্দ বৰুৱাই। হেমচন্দ্ৰ বৰুৱাৰ পৰিনাতি দেৱানন্দ বৰুৱা। দেৱানন্দ বৰুৱাই বৃহৎ আকাৰৰ 'হেমকোষ'খন সুলভ মূল্যৰ কৰিছিল, যাতে ছাত্ৰ-ছাত্ৰীসকলে সহজে ক্ৰয় কৰিব

(আঠপৃষ্ঠাত চাওক)


অসম চৰকাৰ
GOVERNMENT OF ASSAM
জনতাৰ চৰকাৰ
my GOV
মেৰী সৰকাৰ
অৰুণোদয়
আৰ্তজনৰ বাবে অসম চৰকাৰৰ যুগান্তকাৰী পদক্ষেপ
অৰুণোদয় আঁচনি
১০ তাৰিখ
অৰুণোদয়ৰ দিন
হিতাধিকাৰীসকলৰ একাউণ্টলৈ প্ৰাপ্য ধন প্ৰদান
JANASANYOG- 638/22
মুঠ হিতাধিকাৰী
১৮.৭৪ লাখ
প্ৰদান কৰা ধনৰ পৰিমাণ
১৮৭.৪৯ কোটি টকা
অৰুণোদয় আঁচনিৰ অধীনত প্ৰতিগৰাকী
মহিলা হিতাধিকাৰীলৈ মাহিলি অনুদান
১,০০০লৈ বৃদ্ধি
তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

# মন কা বাত

ড° ত্ৰিবেণী শৰ্মা বৰুৱা




আজি কেইদিনমান আগত ডিফুত হোৱা মিটিঙৰ বাবে বিশেষকৈ গুৱাহাটীত চিটি বাছৰ বাৰুকৈয়ে অভাৱ হৈছিল। মই কলেজলৈ যিহেতু বাছত অহা-যোৱা কৰোঁ সেয়ে মই সেইকেইদিন বহু অসুবিধা পাইছিলো। সেয়ে সামাজিক মাধ্যমত মই বাছৰ অভাৱৰ কথাটো লিখিছিলো। ইয়াত কাকো দোষাৰোপ কৰা নাছিলো, কেৱল দেখাটো আৰু নিজৰ অভিজ্ঞতাটো উল্লেখ কৰিছিলো।বাছ কেৱল এদিনেই নহয় ৪ দিন নাছিল। কিন্তু মোৰ দুখ লাগিছিল মাননীয় সাংসদ ডাঙৰীয়া পৱিত্ৰ মাৰ্ঘেৰিতাই ফেচবুকত এটা post দিছিল য'ত ঠাট্টাৰ সুৰত "আমাৰ চিটি বাছ বিশেষজ্ঞ" শব্দটো ব্যৱহাৰ কৰিছিল।আনকি সেইদিনাই জয়ন্ত মল্ল বৰুৱা ডাঙৰীয়াই সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত হাঁহি হাঁহি কৈছিল, চৰকাৰে বাছবোৰক এটকাও দিয়া নাই। কিন্তু সাংবাদিকে এইটো তেওঁক প্ৰশ্ন নকৰিলে যে যি বাছৰ conductor এ যাত্ৰীয়ে এটকা কমাই দিলে কাজিয়া কৰে তেনে অৱস্থাত বাছবোৰ কিয় এনেই ডিফুলৈ যাব? আজি মই কলেজলৈ যাওঁতে মই যোৱা বাছখনৰ Driver জনক সুধিলো, তেওঁলোকে ডিফুলৈ যাওঁতে একো পইচা পোৱা নাছিল নেকি? তেতিয়া হাঁহি উত্তৰ দিছিল, বাইদেউ কিয় নাপাম? গাড়ীৰ মালিকক ৫০ আগতীয়াকৈ দিছে। আৰু আমি খালি গাড়ী লৈ ডিফু গৈছো। তাত গাঁৱৰ পৰা মানুহ কেইজন মান লৈ গৈছো। কিন্তু ৪ কিলোমিটাৰ দূৰত বাছবোৰ ৰাখিব দি মানুহবোৰ খোজ কাঢ়ি গৈছে।তেওঁ আৰু ইয়াকো কৈছে যে মালিকবোৰৰ লাভ হয়, আমাৰ ইমান এনেকৈ ভাড়া মাৰিলে লাভ নহয়, তাতকৈ গুৱাহাটীতে ভাল।মই মাত্ৰ এবাৰ তেওঁক সুধিলো, পইচা চৰকাৰে দিয়া নাই বাৰু কিন্তু যি বাছবোৰক পইচা দিছে কিমান বা দিছে? তেতিয়া কৈছে আমাক ৩০ হাজাৰ, ডাঙৰ বাছবোৰক ৫০হাজাৰ দিছে বাইদেউ। লগতে এইটোও কৈছে ১৫ মে'ত আকৌ কিবা মিটিঙ আছে বাছ নিব, কিবা ঢেকিয়াজুলি নেকি!

**(বি.দ্ৰ.মই জীৱনত ভুল নকৰা নহয়, জ্ঞানৰ অভাৱত বহু ভুল কৰিছো, কিন্তু ইমান বেকা কথা, বেকা চিন্তা কৰি পোৱা নাই, চিধা মন আৰু সৰল চিন্তাৰে চলি আছো। সেয়ে অধিক খেলি-মেলি কথা ভাল নাপাও বাবেই মনৰ কথাখিনি লিখিলো)।**

# বানপৰিস্থিতত পৰীক্ষা সম্পূৰ্ণ ৰূপে বাতিল কৰক!

জয়ন্ত কলিতা, ৰঙিয়া




সমগ্ৰ অসমতে যেন বানপানীয়ে এতিয়া এক জটিল ৰূপ ধাৰণ কৰিছে। বানপানীৰ কবলত এতিয়া অসমৰ ২৬ খন জিলাৰ কেইবাশ গাওঁ তথা কেইবাখনো বিদ্যালয় বানপানীত প্ৰভাম্বিত হৈছে। বানবিধস্ত এলেকাৰ ৰাইজে ওখ মাথোৰাৰী, ৰেল লাইন, বিদ্যালয় আদিত আশ্ৰয় গ্ৰহণ কৰিছে। বানপানী আৰু প্ৰতিকূল বতৰৰ বাবে ডিমাহাছাও কে ধৰি অসমৰ প্ৰায় বোৰ প্ৰান্তত বিজুলী সেৱা, যাতায়ত ব্যৱস্থা আদি বন্ধ কৰা হৈছে। মূলতঃ এনে পৰিস্থিৰ সন্মুখীন হোৱা ছাত্ৰ-ছাত্ৰী সকলে সাম্প্ৰতিক সময়ত অনুষ্ঠিত পৰীক্ষা সমূহ দিবলৈ বা পৰীক্ষাত বহিবলৈ মানসিক ভাৱে কেতিয়াও প্ৰস্তুত নহয়।

আনহাতে ভিতৰুৱা গওঁা অঞ্চলত বাঁহ আৰু কাঠেৰে নিৰ্মিত দলং সমূহক নদীৰ বঢ়নী পানীয়ে উটুৱাই নিছে। গতিকে এনে অঞ্চলৰ ছাত্ৰ -ছাত্ৰী বোৰ পৰীক্ষা দিবলৈ অহা বহু দূৰৰে কথা তেওঁ লোকৰ দৈনন্দিন যাতায়াত বন্ধ হৈ পৰিছে। গতিকে এনে পৰিস্থিতিত পৰীক্ষা পতা সুবিধা জনক নহয়। উল্লেখ যোগ্য যে এই জটিল পৰিস্থিতি স্বাভাৱিক অৱস্থালৈ আহিবলৈ প্ৰায় এমাহ দুমাহ সময়ৰ প্ৰয়োজন। পৰীক্ষা পিছুৱালে আকৌ আমাৰ শিক্ষাবৰ্ষ অপচয় হব। যাৰ ফলশ্ৰুতিত উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষত অধিক বোজা তথা মানসিক চাপে দেখা দিব। গতিকে এই জটিল পৰিস্থিতিত পৰীক্ষা কাৰ্য্যসূচী সম্পূৰ্ন ৰূপে বাতিল কৰক আৰু বিকল্প ব্যৱস্থা গ্ৰহণ কৰক। যিহেতু ক'ভিড পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি প্ৰথম বাৰ্ষিকৰ এটি বিশেষ পৰীক্ষা উচ্চতৰ মাধ্যমিক শিক্ষা সংসদে ইতিমধ্যে অনুষ্ঠিত কৰিছে।

# এখন সাকোঁ

আৰু সৰল জীৱনৰ টানত মানুহ ইয়াতেই থাকি যায়। কোনো এক অদৃশ্য মায়াৰ বশ হৈ পৰে। বোধকৰো মায়াবিনীৰ দেশলৈ আহি ভেড়ালৈ পৰিৱৰ্তিত হোৱা এই লোকগল্পসমূহৰ মূল কথা এইবোৰেই.... অসমীয়া-বঙালীৰ বিয়া নতুন কথা নহয়। ৰবীন্দ্ৰনাথৰ সৈতেও এগৰাকী বিদুষী আৰু অতীব সুন্দৰী কন্যাৰ বিয়াৰ কথা চলিছিল। তেওঁ আছিল আসামবন্ধু পত্ৰিকাৰ সম্পাদক গুণাভিৰাম বৰুৱাৰ সুপুত্ৰী স্বৰ্ণলতা। স্বৰ্ণলতা কলকাতাৰ বেথুন কলেজত পঢ়িছিল আৰু সম্ভৱতঃ অসমৰ প্ৰথম মহিলা স্নাতক। কলকাতাৰ ডাঃ নন্দকুমাৰ ৰায়ৰ সৈতে স্বৰ্ণলতাৰ প্ৰথম বিবাহ হয় আৰু নন্দকুমাৰৰ অকাল প্ৰয়াণৰ পিছত ক্ষীৰোদ চন্দ্ৰ ৰায়চৌধুৰীৰ সৈতে বিবাহপাশত আৱদ্ধ হয়। ব্ৰাহ্ম সমাজৰ আছিল বাবে বিধৱা বিবাহ হৈছিল। মহৰ্ষি দেবেন্দ্ৰনাথৰ আপত্তি থকা বাবে ৰবীন্দ্ৰনাথৰ সৈতে স্বৰ্ণলতাৰ বিয়াখন নহ'ল। বিয়াখন হোৱাহেঁতেন ৰবীন্দ্ৰনাথ অসমৰ জোঁৱাই বুলি অসমৰ মানুহখিনিয়ে গৰ্ব কৰিব পাৰিলেহেঁতেন। কবিগুৰুৰ সৈতে নহলেও অসমীয়া পৰিয়ালৰ সৈতে ঠাকুৰবাড়ীৰ বৈবাহিক সম্বন্ধ ঘটিছে। দুখন বিয়া অতি প্ৰসিদ্ধ। ১৮৯১ চনৰ ১১ মাৰ্চত আধুনিক অসমৰ সকলোতকৈ উল্লেখযোগ্য সাহিত্যিক সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ সৈতে ৰবীন্দ্ৰনাথৰ ভতিজী (ককায়েক হেমেন্দ্ৰনাথৰ জীয়ৰী) প্ৰজ্ঞাসুন্দৰী দেৱীৰ বিবাহ অনুষ্ঠিত হয়। বিয়াত নতুন অসমীয়া জোঁৱায়েকক ককাশহুৰ দেবেন্দ্ৰনাথে এটি সোণৰ কলম উপহাৰ দিয়ে। ১৯০৬ চনত ৰবীন্দ্ৰনাথৰ ডাঙৰ ককায়েক দ্বিজেন্দ্ৰনাথৰ নাতিনী (পুত্ৰ অৰুণেন্দ্ৰনাথৰ কন্যা) লতিকাৰ সৈতে গুণাভিৰামৰ পুত্ৰ আৰু স্বৰ্ণলতাৰ ভায়েক জ্ঞানদাভিৰাম বৰুৱাৰ বিয়া হয়। জ্ঞানদাভিৰাম আৰ্ল ল কলেজৰ প্ৰিন্সিপাল আছিল আৰু এটা চৰকাৰী বাসভৱনত আছিল। গুৱাহাটীৰ এই বাংলোটোত ১৯১৯ চনত ৰবীন্দ্ৰনাথ তিনিদিন আলহী হিচাবে থাকি গৈছে। বৰ্তমান এই ঘৰটো কটন বিশ্ববিদ্যালয়ৰ পদ্মশ্ৰী নলিনী বালা দেৱী হোষ্টেলৰ চুপাৰৰ চৰকাৰী বাসগৃহ।

জ্ঞানদাভিৰাম আৰু লতিকাৰ জীয়ৰী ইৰা আৰু ইৰাৰ ছোৱালী হ'ল অভিনেত্ৰী শৰ্মিলা ঠাকুৰ। কিছু বছৰৰ আগতে শৰ্মিলাক উইলিয়ামচন মেগৰৰ অনুষ্ঠানত পুৰস্কাৰ দিবলৈ আহিছিল প্ৰাক্তন মহামহিম ৰাষ্ট্ৰপতি প্ৰণৱ মুখোপাধ্যায় ডাঙৰীয়া। অনুষ্ঠানৰ শেষত অলপ সময়ৰ বাবে শৰ্মিলাক লগ পাই জনাইছিলোঁ- ৰবীন্দ্ৰ স্মৃতিধন্য তেওঁৰ ককাকৰ বাংলোটো এতিয়াও আছে। শুনি আশ্চৰ্যচকিত হৈছিল শৰ্মিলা, কৈছিল ঘৰটো চাবলৈ এদিন আহিব। কিছুদিন হ'ল, জাতীয়তাবাদৰ নামত অসমত দিনে-ৰাতি উগ্ৰ জাতীয়তাবাদৰ প্ৰচাৰৰ চেষ্টা চলিছে। বিদ্বেষ, সন্দেহ আৰু এটা চেপা আক্ৰোশ। কেতিয়াবা এনে ভাৱো আহিছিল যে অসমৰ হিন্দু বঙালী মানেই বাংলাদেশী আৰু অসমীয়া বিদ্বেষী। কিন্তু প্ৰকৃততে সি কেতিয়াও নহয়। অসমৰ জাতীয় জীৱনত, অসমীয়া ভাষা-সংস্কৃতিত অসংখ্য হিন্দু বঙালীৰ অৱদান আছে আৰু আছে সমন্বয়ৰ নানা ধাৰা। অসমীয়া-বঙালীৰ মাজত সম্পন্ন অজস্ৰ বিবাহসমূহেই ইয়াৰ প্ৰমাণ। এনেবোৰ বিয়া চলি আহিছে আৰু আগলৈকো চলিব। ২১ ফেব্ৰুৱাৰী তাৰিখে অসমৰ বিশিষ্ট সাহিত্যিক সম্পাদক অনুৰাধা শৰ্মা পূজাৰীৰ পুত্ৰ দিহাঙে বিয়া কৰায় কলকাতাৰ বঙালী কন্যা শ্ৰীলেখাক। অনুৰাধাবাই জনাইছে শ্ৰীলেখাই এইকেইদিনতে বৰ ধুনীয়াকৈ অসমীয়া ক'বলৈ শিকিছে। কিমান ভাল লগা কথা ভাবকচোন! মই শ্ৰীলেখাক ক'লোঁ আমাৰ অসমীয়া-বঙালীৰ মাজত বিয়া হোৱা পৰিয়ালসমূহে বছৰৰ অন্ততঃ এটা দিন পৰিয়াল-পৰিজন সহ একেলগ হ'ম। অসমীয়া-বঙালী সকলোবোৰ একেলগে মিলি খোৱা-বোৱা, গান-বাজনা কৰিম। তোমালোক নতুন মেম্বাৰ, তোমালোকক স্বাগতম জনাইছোঁ। এফালে যিসকলে হাই-কাজিয়া কৰিব খোজে কৰি থাকক, আমি মিলনৰ পথ সদায় বচাই ৰাখিম। মোৰ কথা শুনি শ্ৰীলেখাৰ বৰ আনন্দ! তেওঁ সুন্দৰ ৰবীন্দ্ৰ সঙ্গীত গাব জানে। সেইদিনা তেওঁলোকৰ বিয়াৰ চতুৰ্থমঙ্গল অনুষ্ঠানলৈ গৈছিলোঁ। এক ইলাহী কাৰবাৰ! হয়তো পাঁচহাজাৰমান লোকৰ সমাৱেশ হৈছিল। লগ পালোঁ মোৰ শিক্ষাগুৰু ডঃ উষাৰঞ্জন ভট্টাচাৰ্য আৰু তেওঁৰ সুপত্নী ৰুবী বৌক। দেখা হ'ল অসম বাণীৰ সম্পাদক দিলীপ চন্দন দা আৰু আন বহুতৰ সৈতে। অসমৰ সকলো ধাৰাৰ বিশিষ্ট লোকসকল আছিল। উভতি অহাৰ পথত মনত পৰিছিল ৰবীন্দ্ৰনাথৰ সেই বিখ্যাত চিঠিখনৰ বাক্যশাৰী- "আমাৰ বংশৰ কন্যা এদিন যেতিয়া অসমীয়া যুৱকৰ সৈতে বিবাহ বন্ধনযুক্ত হৈছিল মই বিশেষভাৱে আনন্দিত হৈছিলোঁ। এনে ধৰণৰ বিবাহসূত্ৰৰ দ্বাৰা মিলন যদি সম্ভৱপৰ নহয় তেনেহলে ক'ব লাগিব যে ৰাষ্ট্ৰীয় ঐক্য সম্বন্ধে ৰাষ্ট্ৰীয় সভামঞ্চত আমি যি বাগ্মিতা বিস্তাৰ কৰোঁ সি এটা শোকাবহ প্ৰহসন।"

**- ৫ মে', ১৯৩৫। স্নেহাসক্ত ৰবীন্দ্ৰনাথ ঠাকুৰ। (অনুবাদ কৰা হৈছে)**

# হেমকোষৰ কথা


পাৰে। ২০০৬ চনত দেৱানন্দ বৰুৱাৰ সম্পাদনাতে 'হেমকোষ'ৰ পৰিবৰ্ধিত দ্বাদশ সংস্কৰণ প্ৰকাশ পায়। 'হেমকোষ' প্ৰকাশৰ বাবে জীৱনৰ ৪১টা বছৰ (১৯৬৫-২০০৬) গভীৰ নিষ্ঠাৰে কাম কৰি গ'ল। সেইজন দেৱানন্দ বৰুৱা, যিজনে ৮২ বছৰ বয়সত দ্বাদশ 'হেমকোষ' প্ৰকাশ কৰিবলৈ গৈ প্ৰতিদিনে একেৰাহে কেইবাঘন্টা ধৰি সম্পাদনাৰ কামত ব্যস্ত হৈ পৰাৰ বাবে ৰক্তচাপ বৃদ্ধি পাই দুবাৰকৈ চিকিৎসালয়ত ভৰ্তি হ'ব লগা হৈছিল। চিকিৎসকে কৈছিল- বয়স অনুযায়ী অতিমাত্ৰা কষ্ট-শ্ৰম কৰাৰ বাবে এনে হৈছে। তথাপি মনৰ পৰা দুৰ্জেয় শক্তি লাভ কৰাৰ বাবে 'হেমকোষ'ৰ দ্বাদশ সংস্কৰণ প্ৰকাশ কৰি উলিয়াইছিল। এইখন প্ৰকাশ কৰোতে সময়ৰ লগতে ধনো ব্যয় হৈছিল। প্ৰত্যেক বছৰে শ্ৰমিক দিৱসৰ দিনা 'প্ৰতিদিনে-সাদিন' পৰিয়ালে ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱা ভাষা- সাহিত্য সাধনা বঁটা আৰু 'হেমকোষপ্ৰাণ দেৱানন্দ বৰুৱা সমাজ চেতনা বঁটা' প্ৰদান কৰে। শ্ৰমিক বুলিলে কৃষিকৰ্মৰ লগত জড়িত লোকো সাঙোৰ খাই পৰে। কৃষকৰ খাজনা হ্ৰাসৰ বাবে হেমচন্দ্ৰ বৰুৱাই ব্ৰিটিছ চৰকাৰৰ ওচৰত আৰ্জি পেছ কৰিছিল। কৃষক, মজদুৰ, দিনহাজিৰা কৰা আদি সকলো শ্ৰেণীৰ লোকৰ সৈতে মিলা -মিচা কৰিছিল আৰু শ্ৰমিক দিৱসতে ভাষাৰ ওজাজনৰ নামত বঁটা প্ৰদান কৰা হয়। আনহাতে, যিখন কটন কলেজক লৈ গৌৰৱ কৰে, যিখন কটন কলেজ বুলিলে মানুহজনৰ (দেৱানন্দ বৰুৱাৰ) মন নাচি উঠে, এজন কটনিয়ানৰূপে কটন কলেজৰ বিভিন্ন অনুষ্ঠানৰ সৈতে জড়িত আছিল, সেইখন কটন কলেজ (বৰ্তমান বিশ্ববিদ্যলয়)তে 'হেমকোষপ্ৰাণ দেৱানন্দ বৰুৱা সমাজ চেতনা বঁটা' প্ৰদান কৰা হয়। এইবঁটা প্ৰদান অনুষ্ঠানলৈ 'প্ৰতিদিন-সাদিন' পৰিয়ালে আমাকো নিমন্ত্ৰণ জনোৱাত কৃতজ্ঞতা জনালো। অসমৰ ভাষা-সাহিত্যৰ বৰভেটিস্বৰূপ 'হেমকোষ'খন আমাৰ বুকুৰ আপোন। প্ৰথম মাতৃভাষাত আদিপাঠ লোৱাৰ পৰা আজিলৈকে 'হেমকোষ' লগতে পাই আহিছো।

# ভাৰতৰ অতিকেন্দ্ৰিক চৰিত্ৰৰ বিৰুদ্ধে জাতীয়

দৰে চৰ অঞ্চলত যুগ যুগ ধৰি বসবাস কৰি থকা অভিবাসী মুছলমানসকলক অথবা হাৰাশাস্তি কৰাৰ পক্ষপাতি নাছিল। যি সময়ত অসমৰ জাতীয়তাবাদী শিবিৰে চৰ-চাপৰিৰ লোকসকলৰ সৈতে মানসিকভাবে যুক্ত হ'ব পৰা নাছিল, সেইসময়তো পৰাগ কুমাৰ দাসে চৰ-চাপৰিৰ অভিবাসী মুছলমানৰ সৈতে সহমৰ্মিতাৰে তেওঁলোকক জাতীয় সংগ্ৰামৰ সৈতে যুক্ত কৰাৰ প্ৰচেষ্টা কৰিছিল। পৰাগ কুমাৰ দাসে তেওঁৰ' চৰ অঞ্চলৰ বাস্তৱ চিত্ৰ আৰু বিদেশী সমস্যাৰ মূল্যায়ন' শীৰ্ষক এটি লেখাত লিখিছে যে ছবছৰীয়া অসম আন্দোলনৰ জাতীয় আন্দোলনটোৰ মূলতে কেৱল বিদেশী নাগৰিকৰ সমস্যা নাছিল, আছিল স্বাধীনোত্তৰ কালছোৱাত কেন্দ্ৰ চৰকাৰে অসমৰ ক্ষেত্ৰত প্ৰদৰ্শন কৰি অহা অৱহেলা আৰু অসমৰ থলুৱা সম্পদৰ ওপৰত চলাই অহা ঔপনিৱেশিক শোষণ। সেইদৰে ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যৰ পৰা অবাধ গতিত হোৱা প্ৰব্ৰজনৰ ফলস্বৰূপে ৰাজ্যখনত ক্ৰমান্বয়ে বৃদ্ধি পাই অহা জনসংখ্যাৰ বিষয়টোৱেও অসমৰ খিলঞ্জীয়া লোকসকলক চিন্তিত কৰি তুলিছিল। গতিকে এই 'বহিৰাগত'সকলক বহিস্কাৰ কৰাৰ দাবী তোলা হৈছিল। কিন্তু পাছলৈ আন্দোলনটোক সংবিধানৰ গণ্ডীৰ ভিতৰলৈ আনিবৰ বাবেই 'বহিৰাগত'ৰ পৰিৱৰ্তে নেপাল, বাংলাদেশ আদিৰ পৰা অবৈধভাৱে আহি অসমত প্ৰৱেশ কৰা বিদেশী নাগৰিকৰ সমস্যাৰ ওপৰতহে অত্যাধিক গুৰুত্ব আৰোপ কৰা হ'ল আৰু অইন সমস্যাবোৰ তল পৰি গ'ল। তেওঁৰ পক্ষে বহুতৰ ভিন্ন মত, কিন্তু তেওঁৰ জাতীয় অৱদান বোৰ কোনেও নুই কৰিব নোৱাৰি। পৰাগ কুমাৰ দাসৰ মতে, 'বিদেশী নাগৰিকৰ সংখ্যাৰ কোনো চৰকাৰী তথ্য-পাতি নথকাত, আন্দোলনটোৰ যুক্তিযুক্ততা সুদৃঢ় কৰিবৰ নিমিত্তেই আমি অবৈধ প্ৰব্ৰজনকাৰীৰ আনুমানিক হিচাপ ক্ৰমান্বয়ে বঢ়াই নিলো আৰু ফলস্বৰূপে অনেক স্থায়ী বাসিন্দাকো আমি বিদেশীৰ শাৰীত পেলাবলগীয়া হ'ল। এবাৰ আন্দোলনটো আৰম্ভ কৰাৰ পাছত পিছ হোঁহকাৰ প্ৰশ্ন আৰু যিহেতু নুঠে, গতিকে চক্ৰবৃদ্ধি হাৰত সেই ভুলবোৰ ক্ৰমান্বয়ে বাঢ়িহে গ'ল, ন-পুৰণি প্ৰব্ৰজনকাৰী সকলোকে একে পৰ্যায়লৈ লৈ যোৱাৰ ফলত তেওঁলোকক একগোট হ'বলৈহে বাধ্য কৰি বহুতো ক্ষেত্ৰত বিদেশী নাগৰিকৰ সমস্যাৰ গভীৰতা আমি নিজেই বৃদ্ধি কৰিলো।' পৰাগ কুমাৰ দাসে লিখা মতে, ১৮৪৭ চনত পাইনা জাহাজৰ (ভাপৰ জাহাজ) চলাচল আৰম্ভ হোৱাৰে পাছৰে পৰা পূৰ্ববংগৰ বহুতো ভূমিহীন কৃষকে অসমলৈ আহি ব্ৰহ্মপুত্ৰ নৈৰ পাৰে পাৰে বাস কৰিবলৈ আৰম্ভ কৰিছিল। ১৮৯২ চনত আসাম-বেংগল ৰেল লাইন স্থাপিত হোৱাৰ পাছত ৰেলেৰেও এনেকুৱা বহুতো মানুহ অসমলৈ আহিছিল। স্থানীয় অসমীয়া মানুহবিলাকে তেতিয়া মেলেৰিয়াৰ প্ৰকোপ আৰু বন্য জন্তুৰ পৰা ৰক্ষা পাবৰ নিমিত্তে ওচৰৰ অটব্য বন-জংঘলবোৰ পৰিস্কাৰ কৰি এনেকুৱা মানুহ বহাত উৎসাহহে যোগাইছিল। ১৯১২ আৰু ১৯৪৩ চনত পূৰ্ববংগত হোৱা আকাল আৰু ভূমিকম্পৰ সময়ত অসমলৈ অহা এনেকুৱা মানুহৰ সংখ্যা যথেষ্ট বৃদ্ধি পায়। তাৰ পাছৰেপৰা শাসক দলটোৱেও সস্তীয়া ভোটবেংকৰ আশাত এওঁলোক অহাত উদগনি জনাইছিল। তেওঁৰ মতে, স্বাধীনতাৰ পাছৰে পৰাই পমুৱা মুছলমান মানুহখিনিৰ নিৰক্ষৰতাৰ সুযোগ লৈ স্থানীয় মাতব্বৰবিলাকক অৰ্থৰ প্ৰলোভনেৰে হাত কৰি কংগ্ৰেছে দীৰ্ঘদিন ধৰি ভোটবেংকৰ ৰাজনীতি কৰি আহিছিল আৰু তাৰ দ্বাৰা অসমৰ সৰ্বসাধাৰণ ৰাইজ ৰাজনৈতিক দিশত সদায়ে ক্ষতিগ্ৰস্ত হৈ আহিছিল। এই ভোটবেংকবোৰৰ সহায়তে কংগ্ৰেছে সংখ্যাগৰিষ্ঠ ৰাইজৰ সমৰ্থন নোহোৱাকৈয়ে দিছপুৰত চৰকাৰ চলাই আছিল। এই ভোটবেংকবোৰ ভাঙিবৰ বাবেই অনেকেই বিদেশী বহিস্কাৰৰ বাবে ১৯৫১ চনক ভিত্তিবৰ্ষ হিচাপে দাবী কৰিছিল।" পৰাগ কুমাৰ দাসে পমুৱা মুছলমান বসতি প্ৰধান চৰ অঞ্চলসমূহ ভ্ৰমণ কৰি লিখিছিল যে সমস্ত চৰ অঞ্চলত তেওঁ এখনো বাঙালী মাধ্যমৰ স্কুল দেখা পোৱা নাছিল। একেবাৰে ভিতৰুৱা 'বিদেশী-অধ্যুষিত অঞ্চল'ৰূপে খ্যাত চৰতো তেওঁ ত্ৰিশ-চল্লিশ বছৰ পুৰণি অসমীয়া মাধ্যমৰ স্কুলহে দেখা পাইছিল। সেই ঠাইৰ মানুহে ঘৰুৱাভাবে অসমীয়া-বাঙালী মিহলি ভাষা এটাত কথা পাতিছিল যদিও বাহিৰত সলসলীয়াকৈ অসমীয়া কথা কৈছিল। এম ইলিমউদ্দিন দেৱান নামৰ লোক এজনৰ প্ৰসংগত তেওঁ লিখিছে-চৰ অঞ্চলত ডাঙৰ-দীঘল হোৱা 'ন-অসমীয়া'এই গৰাকী লোক ১৯৬৪ চনৰে পৰা অসম সাহিত্য সভাৰ সৈতে সক্ৰিয় ভাবে জড়িত আৰু তেওঁ ইতিমধ্যে অসমীয়া ভাষাত আঠাইশখনমান কিতাপ লিখিছে। কিন্তু দুই পুৰুষ ধৰি অসমতে বাস কৰা এই গৰাকী ব্যক্তিৰ বিৰুদ্ধে ভোটাৰ তালিকা সংশোধনৰ সময়ত 'বিদেশী' বুলি অভিযোগ তৰা হৈছে আৰু তেওঁ যে ১৯৭১ চনৰ পাছত অসমলৈ অহা নাই, সেই কথা প্ৰমাণ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। এনেধৰণৰ উদাহৰণ আৰু বহুতো আছে।অসমত কেইবা পুৰুষো ধৰি বসবাস কৰি নিজৰ ভাষা-সংস্কৃতি ত্যাগ কৰি অসমতে জীন যোৱাৰ পাছতো এই সকল মানুহ ' বিদেশী' বুলি অভিযুক্ত হোৱাৰ বেদনা কেনে অসহনীয় সেয়া কেৱল ভুক্তভোগীয়েহে উপলব্ধি কৰিব পাৰিব। অত্যন্ত দুখেৰে পৰাগ কুমাৰ দাসে লিখিছে-'হাড়ে-হিমজুৰে অসমীয়া হৈ পৰা এই মানুহখিনিক হোৱাই নোহোৱাই হাৰাশাস্তি কৰি ইচ্ছাকৃতভাৱে আজি আমি তেওঁলোকক মুলসুঁতিৰ পৰা আঁতৰাই পঠিয়াইছো। চৰ অঞ্চলত যে বিদেশী নাই সেইটো আমি ক'ব খোজা নাই, কিন্তু সেইবুলিয়ে অসমীয়া জাতি গঠনৰ কোনো সম্যক জ্ঞান নথকা উতনুৱা চাম এটাই এইবোৰ অঞ্চলৰ পুৰণি বাসিন্দাসকলৰ ওপৰতো যি মানসিক অত্যাচাৰ আৰম্ভ কৰিছে, সি একোটা সমস্যা সমাধান কৰাৰ পৰিৱৰ্তে তাক আৰু অধিক জটিলহে কৰি তুলিছে। আৰু তাৰ ফলত লাভ হৈছে অসমবিৰোধী শক্তিবোৰৰ। নিৰাপত্তা বিচাৰি এই ন-অসমীয়া মানুহখিনি এতিয়া কাৰোবাৰ শৰণাপন্ন হ'বলৈ বাধ্য হৈছে আৰু তেনেকুৱা সুবিধাকে বিচাৰি ফুৰা ৰাজনৈতিক শক্তিবোৰে এতিয়া সেইবোৰ অঞ্চলত সুন্দৰ সংগঠন আৰম্ভ কৰি দিছে। যোৱা নিৰ্বাচনত অসম-বিৰোধী সাম্প্ৰদায়িক শক্তি কিছুমানে 'অসমীয়া' অঞ্চলবোৰতো অভূতপূৰ্ব সফলতা লাভ কৰাৰ মূলতে আছিল ছবছৰে আমি কৰি অহা কিছুমান ভুল। সেই ভুলবোৰৰ এতিয়া শুধৰণি নকৰিলে অচিৰেই এনেকুৱা এটা দিন আহিব যে, বাংলাদেশ সীমান্ত সুৰক্ষিত হোৱাৰ পাছতো অসমত 'বিদেশী'ৰ সংখ্যা বাঢ়িহে যাব আৰু 'অসমীয়া'ৰ সংখ্যা কমি আহিব।"পৰাগ দাসে ৰাষ্ট্ৰযন্ত্ৰৰ বিৰুদ্ধে কলম তুলি লোৱাৰ বাবেই তেওঁক দুবাৰকৈ ৰাষ্ট্ৰই গ্ৰেপ্তাৰ কৰিছিল। ১৯৯২ আৰু ১৯৯৩চনত ৰাষ্ট্ৰ নিৰাপত্তা আইন আৰু টাডা আইনৰ অধীনত গ্ৰেপ্তাৰ কৰা হৈছিল তেওঁক। কিন্তু ৰাষ্ট্ৰযন্ত্ৰই ৰঙাচকু দেখুৱালেও সেই চকুলৈ তেওঁ ভয় কৰা নাছিল। লিখি গৈছিল ইখনৰ পাছত সিখন গ্ৰন্থ। স্বাধীনতাৰ প্ৰস্তাৱ নামৰ পৰাগ দাসৰ গ্ৰন্থখন চৰকাৰে নিষিদ্ধ কৰাৰ লগতে এই গ্ৰন্থৰ কপী সমূহ জব্দ কৰিছিল। 'ৰাষ্ট্ৰদ্ৰোহৰ দিনলিপি' বিচাৰি পাঠকে হাহাকাৰ লগাইছিল। পৰাগ কুমাৰ দাসে বুজিছিল- জাতি-জনগোষ্ঠীসমূহৰ স্বঅধিকাৰ অবিহনে প্ৰকৃত স্বাধীনতা সম্ভৱ নহয়। তেওঁ বিদ্ৰোহী সংগঠনসমূহৰ বিৰুদ্ধেও কলম তুলি লৈছিল। সাংবাদিকতাৰ দিশত কোনো দিনে আপোচ কৰা নাছিল পৰাগ কুমাৰ দাসে। ৰাজ্যৰ সম্পদৰ প্ৰকৃত ব্যৱহাৰৰ হৈ তেওঁ মাত মাতিছিল। সাংবাদিক হকে মানৱ অধিকাৰৰ বাবে যুঁজিবলৈ তেওঁ লোভনীয় ষ্টক এক্সচেঞ্জৰ চাকৰিও বাদ দিছিল। পৰাগ দাসে সাহস আৰু যুক্তি তথা তথ্যৰে বাতৰি পৰিৱেশনত গুৰুত্ব দিছিল। সাংবাদিকতাক তেওঁ নতুন ধাৰাৰে আগুৱাই নিব খুজিছিল। সাংবাদিকৰ উদ্দেশ্য কেৱল খবৰ দিয়াই নহয়। ৰাষ্ট্ৰযন্ত্ৰৰ বিৰুদ্ধে তেওঁৰ কলম চলিছিল অহৰহ। কেন্দ্ৰৰ দমন নীতিৰ বিৰুদ্ধে প্ৰতিবাদ, অসমৰ সম্পদৰ ওপৰত অসমবাসীৰ অধিকাৰ হকে জনসাধাৰণক জাগ্ৰিত কৰা আদি কাম পৰাগ দাসে কৰিছিল। তেওঁ দেখিছিল স্বাভিমানেৰে অসমীয়া জাতি জীয়াই থকাৰ সপোন। ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ প্ৰয়োজনীয়তা সম্পৰ্কত তেওঁ লিখিছিল-প্ৰকৃত নাগৰিক সকলৰ আটাইবোৰ তথ্য-পাতি যদি কম্পিউটাৰত ৰাখিব পৰা যায়, তেন্তে একোজন সন্দেহযুক্ত ব্যক্তিৰ নাগৰিকত্বৰ প্ৰমাণৰ নিমিত্তে ইমানবোৰ মেৰপাকৰ প্ৰয়োজন নহ'ব। আমাৰ এই প্ৰস্তাৱ প্ৰচুৰ ব্যয় সাপেক্ষ হ'ব সঁচা, কিন্তু ৰাজ্য চৰকাৰ এতিয়া এইখিনি ব্যয় বহন কৰিবলৈ সাজু নহ'লে তাৰ ফলত ভৱিষ্যতে যিমানবোৰ জটিল সমস্যাৰ উদ্ভৱ হ'ব, সেইবিলাকৰ সমাধানত হয়তো ইয়াতকৈ কেইবাগুণে অধিক ধন ব্যয় কৰিব লগীয়া হ'ব। আৰু ৰাজ্য চৰকাৰৰ ৰাজহত এই কামৰ নিমিত্তে যদি সঁচাকৈয়ে ৰাজহৰ অভাৱ বুলি ভৱা হয়, তেন্তে ৰাইজৰ ওপৰতে অতিৰিক্ত কৰ বহুওৱা হওক; - বিদেশী সমস্যাৰ সমাধানৰ নিমিত্তে প্ৰাণ পৰ্যন্ত দিবলৈ কুণ্ঠাবোধ নকৰা অসমৰ ৰাইজে এই উদ্দেশ্যত অতিৰিক্ত কিছু কৰৰ বোজা বহন কৰিবলৈ বোধকৰো কুণ্ঠাবোধ নকৰিব। বিভিন্ন পুৰণি নথি-পত্ৰৰ সহায়ত ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীখন সংশোধন কৰি ৰাজ্যখনত অবৈধভাৱে বসবাস কৰি থকা বিদেশী নাগৰিকৰ প্ৰকৃত সংখ্যা এটা উলিয়াব পাৰিলে এই সমস্যাৰ আতিশয্যৰ যথাৰ্থ আভাস এটা পোৱা যাব আৰু তেতিয়া হ'লে সমস্যাটোক অতিৰঞ্জিত কৰি ৰাজনীতি খেলি অহাসকলৰ কু-চক্ৰান্তবো মুদা মৰিব । ৰাজ্য চৰকাৰে যদি এতিয়া এইখিনি কাম কৰিবলৈকো গাত নলয়, তেন্তে এনেবোৰ ৰাজনৈতিক কু-চক্ৰান্তৰ তেওঁলোকো অংশীদাৰ বুলি ভাবিবলৈ ৰাইজ বাধ্য হ'ব। ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীখন আজিলৈকে সংশোধন নকৰাৰ ফলত এপিনে যিদৰে বিদেশী নাগৰিকৰ চিনাক্তকৰণত অসুবিধা হৈছে; আনপিনে তেনেদৰে অনেক খিলঞ্জীয়া মানুহে হাৰাশাস্তি ভুগিবলগীয়া হৈছে বুলি তেওঁ আশী আৰু নব্বৈৰ দশকতে লিখিছিল। তেওঁৰ মতে, 'ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীখনৰ সংশোধনৰ নিমিত্তে কেন্দ্ৰীয় চৰকাৰৰ সহযোগিতা বা অনুমতি, কোনোটোৰে আৱশ্যক নাই । পুৰণি ভোটাৰ তালিকা আৰু বিভিন্ন বৈধ নথি-পত্ৰ সংগ্ৰহ কৰি ৰাজ্য চৰকাৰে নিজৰ ৰবীয়াকৈয়ে এই কাম আৰম্ভ কৰিব পাৰে। জনসাংখ্যিক গাঁথনিৰ পিনৰ পৰা যিবোৰ অঞ্চল এতিয়া আমাৰ নিমিত্তে ভয়ৰ কাৰণ হৈ পৰিছে সেইবোৰ অঞ্চলৰ পুৰণি বাসিন্দাৰ হাতত এতিয়াও অনেক মূল্যবান নথি-পত্ৰ পোৱা যাব; কাৰণ, নিজৰ নিৰাপত্তাৰ বাবেই এওঁলোকে এই নথিপত্ৰ বোৰ সযতনে সংগ্ৰহ কৰি আহিছিল। আমি পৰিভ্ৰমণ কৰা চৰ অঞ্চল কিছুমানত পুৰণা বাসিন্দাৰ হাতত ১৯৫৫, ১৯৬৬ চনৰ ভোটাৰ তালিকাও সযতনে ৰখা অৱস্থাত পাইছো।' ১৯৯৬ চনৰ ১৭ মে' তাৰিখে নিজৰ পুত্ৰক গুৱাহাটী চান্দমাৰিৰ অসম জাতীয় বিদ্যালয়ৰ পৰা আনি থকা সময়ত পৰাগ কুমাৰ দাসক হত্যা কৰা হয়। এই কাৰ্যত চাৰিজন ছালফা সদস্যক অভিযুক্ত কৰা হৈছিল- মৃদুল ফুকন ওৰফে সমৰ তাঁতী, দিগন্ত বৰুৱা, তপন দত্ত ওৰফে বিশ্বজিত শইকীয়া আৰু নয়ন দাস ওৰফে গুলী। তেওঁৰ মুকলি হত্যাই সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলতে প্ৰতিবাদৰ ঢৌ তোলে। সাম্প্ৰতিক কালৰ পৰিপ্ৰেক্ষিতত পৰাগ কুমাৰ দাসৰ এই ধৰণৰ প্ৰগতিশীল চিন্তা-দৰ্শনৰ যথেষ্ট তাৎপৰ্য আৰু প্ৰাসংগিকতা আছে। অবৈধ বাংলাদেশীৰ অবাধ প্ৰব্ৰজনৰ পৰিপ্ৰেক্ষিতত পৰাগ কুমাৰ দাসৰ চিন্তা-চৰ্চা আৰু দৰ্শনৰ পুনৰ্মূল্যায়ন নকৰাকৈ কেৱল ধৰ্মীয় দৃষ্টিকোণেৰে চৰ অঞ্চলৰ সকলো লোককে বিদেশী বা বাংলাদেশী মুছলিম বুলি গণ্য কৰা মানসিকতা ত্যাগ কৰিব নোৱাৰিলে সমস্যাবোৰ জটিল হৈ গৈ থাকিব। তেখেতৰ মৃত্যু অসমৰ জাতীয় জীৱনৰ কাৰনে বৃহৎ ক্ষতি। তেখেতৰ হত্যাকাৰীয়ে যে কেতিয়াবালৈ শাস্তি পাব সেয়া সুদূৰ পৰাহত। কিন্তু আৰু যেন কোনো পৰাগ দাসৰ হত্যা নহয় তাৰবাবে অসমবাসী চকু কান মেলি ৰখা প্ৰয়োজন । পৰাগ কুমাৰ দাসৰ দৰে এজন প্ৰতিভাবান সাংবাদিক-উপন্যাসিক-অৰ্থনীতিত দখল থকা জাতীয়বোধ সম্পন্ন অসমীয়া জন্ম হবলৈ হয়তো আমি হয়তো আৰু শতাধিক বছৰ অপেক্ষা কৰিব লাগিব। তেখেতৰ আদৰ্শই আমাক অনুপ্ৰাণিত কৰিব।। যোৱা ১৭ মে' ত তেওঁৰ মৃত্যু তিথিত তেওঁক সুৱৰিছো।।

# মাইগ্ৰেন

ডাঃ বিজিতা চুতীয়া
বি.এ. এম.এচ., এম.ডি.(আয়ুৰ)
আয়ুৰ্বেদিক বিশেষজ্ঞা



আধুনিক জীৱন শৈলীত প্ৰায় সকলো লোককে মূৰৰ বিষত ভোগা দেখিবলৈ পোৱা গৈছে। মূৰৰ বিষৰ ভিতৰত মাইগ্ৰেনৰ মূৰৰ বিষ বিশেষ কষ্টদায়ক বাবে ই বহুতৰে পৰিচিত। বিশ্ব স্বাস্থ্য সংস্থাৰ এক ৰিপ'ৰ্টৰ মতে ২০টা মুখ্য বেমাৰৰ ভিতৰত মাইগ্ৰেনো অন্যতম। মাইগ্ৰেন বেছিকৈ যুৱসকলৰ মাজত হোৱা দেখা যায়। পুৰুষৰ তুলনাত মহিলাৰ বেছিকৈ এই ৰোগ হোৱা পৰিলক্ষিত হয়।

আয়ুৰ্বেদত মাইগ্ৰেনক 'অৰ্ধাৱভেদক' নামেৰে জনা যায়। অৰ্থাৎ মূৰৰ এফালে হোৱা ভেদনযুক্ত বিষ, সেই বিষ চকুৰ ওপৰভাগতো হ'ব পাৰে বা মূৰৰ পাছৰ অংশত বিষাব পাৰে। মূৰৰ বিষৰ লগতে বমি বমি ভাব, ডাঙৰ শব্দ বা উজ্জ্বল পোহৰ সহ্য কৰিব নোৱাৰা ইত্যাদি লক্ষণো দেখা যায়। আয়ুৰ্বেদৰ মতে প্ৰধানকৈ বাত আৰু পিত্ত দোষৰ বাবে মাইগ্ৰেন উৎপন্ন হয়। মানসিক চাপ, ৰুক্ষ আহাৰ ভোজন, অধাৰণীয় বেগ ধাৰণ ইত্যাদি বিভিন্ন কাৰণত বাত দোষ প্ৰকোপিত হৈ পিত্তৰ লগ লাগি মগজুৰ ভিতৰত এটা ফালে থিতাপি লৈ স্ৰোতবিলাক অৱৰোধ কৰাৰ ফলত মাইগ্ৰেনৰ মূৰৰ বিষ হোৱা বুলি কোৱা হৈছে।

কাৰণ ঃ আয়ুৰ্বেদৰ মতে মূলতঃ শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক কাৰণৰ বাবে এইবিধ ৰোগৰ সৃষ্টি হয়। এইসমূহ হৈছে- (১) বাতবৰ্ধক খাদ্য যেনে- শুকান আৰু ৰুক্ষ গুণসম্পন্ন খাদ্য, ফাষ্টফুড, প্ৰক্ৰিয়াজাত খাদ্য (Processed food), ফাৰ্মেন্টেড (fermented) খাদ্য, (২) পিত্তবৰ্ধক খাদ্য যেনে- অত্যধিক জলা-মছলাযুক্ত খাদ্য, গ্ৰহণ কৰা। (৩) আহাৰ জীৰ্ণ হোৱাৰ পূৰ্বে পুনৰ খাদ্য গ্ৰহণ। (৪) ধোঁৱা আৰু ধূলিময় পৰিৱেশত বেছিকৈ থকা। (৫) অধাৰণীয় বেগ ধাৰণ কৰা। (৬) অত্যধিক ব্যায়াম বা শাৰীৰিক পৰিশ্ৰম কৰা। (৭) নিশা উজাগৰে থকা। (৮) দিনত শোৱা। (৯) মানসিক চাপ, দুশ্চিন্তা (১০) মদ্যপান কৰা, চিগাৰেট সেৱন কৰা। (১১) কৃমিৰ প্ৰাদুৰ্ভাৱ। (১২) লঘোনে বা ভোকত থকা। (১৩) মহিলাৰ ক্ষেত্ৰত ঋতুস্ৰাৱৰ সময়তো মাইগ্ৰেনৰ বিষ হ'ব পাৰে।

লক্ষণ :

(১) মাইগ্ৰেনত অসহ্যকৰ মূৰৰ বিষ সাধাৰণতে মূৰৰ এফালে হয়।

(২) সাধাৰণতে ৬ৰ পৰা ৪৮ ঘণ্টা পৰ্যন্ত এই বিষ থাকে।

(৩) বিষৰ লগতে বমি বমি ভাব বা বমি হ'ব পাৰে।

(৪) ডাঙৰ শব্দ আৰু উজ্জ্বল পোহৰ সহ্য কৰাত অসুবিধা হয়।

(৫) মাইগ্ৰেন হোৱাৰ আগত কিছুমান বিপদৰ আগজাননীযুক্ত লক্ষণ দেখিবলৈ পোৱা যায়, যেনে- চকুৰে ধোঁৱা ধোঁৱা দেখা, চকুৰ সন্মুখত তৰংগসদৃশ পোহৰ দেখা ইত্যাদি।

(৬) মাইগ্ৰেনৰ বিষ কমাৰ পাছতো আন কিছুমান লক্ষণ দেখা দিব পাৰে- যেনে মানসিকভাৱে ভাগৰুৱা অনুভৱ কৰা, টোপনি টোপনি লগা, ডিঙিৰ বিষ ইত্যাদি।

প্ৰতিৰোধ :

মাইগ্ৰেনক প্ৰভাৱিত কৰা কাৰকসমূহৰ পৰা আঁতৰি থাকি এই ৰোগ প্ৰতিৰোধ কৰিব পাৰি। ইয়াৰ ভিতৰত তলত উল্লিখিত সাৱধানতাসমূহ মানি চলা উচিত।

(১) সময় মতে খাদ্য খোৱাৰ অভ্যাস গঢ়িব লাগে।

(২) কিছুমান খাদ্য গ্ৰহণ কৰাৰ পাছতো মাইগ্ৰেনৰ সমস্যা হ'ব পাৰে। যেনে — চাহ, কফি, চকলেট, গাখীৰ আৰু গাখীৰৰ পৰা তৈয়াৰী খাদ্যবস্তু, টেঙাজাতীয় ফল, বিলাহী, পিঁয়াজ, নিমখীয়া পদাৰ্থ, প্ৰক্ৰিয়াজাত খাদ্য (Pro (cessed foods), Mono Sodium glutamate (MSG) যুক্ত খাদ্য, Tyramine যুক্ত খাদ্য ইত্যাদি। সেয়েহে এনেধৰণৰ খাদ্য খোৱাৰ পৰা বিৰত থাকিব লাগে।

(৩)অত্যাধিক মানসিক চাপ পৰিহাৰ কৰা উচিত।

(৪) টোপনি ক্ষতি হ'লে বা বেছি সময় শুলেও এই ৰোগ হ'ব পাৰে। সেয়েহে সদায় সঠিক সময়ত ৰাতি শুৱলৈ যোৱা আৰু সময় মতে পুৱা উঠা উচিত।

(৫) উজ্জ্বল পোহৰ, কোলাহলপূৰ্ণ পৰিৱেশৰ পৰা আঁতৰি থাকিব লাগে।

(৬) অত্যধিক শাৰীৰিক পৰিশ্ৰম, ব্যায়ামৰ বাবেও মাইগ্ৰেন বাঢ়ি যাব পাৰে। যদি তেনে হোৱা পৰিলক্ষিত হৈছে শাৰীৰিক পৰিশ্ৰম কমাই কৰিব।

(৭) অত্যধিক মদ্যপান, ধূমপানৰ ফলত মাইগ্ৰেনৰ সমস্যা বাঢ়ে। সেয়েহে এনে অভ্যাস ত্যাগ কৰা উচিত।

(৮) কিছুমান উগ্ৰ গোন্ধ, পাৰফিউমৰ গোন্ধ, ধোঁৱা আদিৰ বাবেও মাইগ্ৰেনৰ বিষ হ'ব পাৰে। সেয়েহে উগ্ৰ গোন্ধযুক্ত পৰিৱেশৰ পৰা আঁতৰি থাকিব।

চিকিৎসা :

(১) আয়ুৰ্বেদত প্ৰথমেই নিদান পৰিবৰ্জন অৰ্থাৎ যিবোৰ কাৰকৰ বাবে মাইগ্ৰেনৰ সমস্যা হয় সেইসমূহৰ ত্যাগ কৰিবলৈ উপদেশ দিছে। যিহেতু বিসংগতিপূৰ্ণ খাদ্যাভ্যাস আৰু জীৱনশৈলী এই ৰোগৰ মুখ্য কাৰণ গতিকে খাদ্য গ্ৰহণৰ নীতি-নিয়মসমূহ মানি চলাৰ লগতে সঠিক জীৱনশৈলী গ্ৰহণ কৰা উচিত। খাদ্য গ্ৰহণৰ নিয়মসমূহৰ ভিতৰত খৰখেদা নকৰাকৈ খাদ্য গ্ৰহণ কৰা, একান্তচিত্তে খাদ্য গ্ৰহণ কৰা, অত্যধিক ধীৰগতিত খাদ্য গ্ৰহণ নকৰা, মনৰ অনুকূল পৰিৱেশত খাদ্য গ্ৰহণ, সঠিক মাত্ৰাত খাদ্য গ্ৰহণ কৰা, জীৰ্ণতাৰ পাছত খাদ্য গ্ৰহণ কৰা, খাদ্যৰ বীৰ্য অনুসৰি গ্ৰহণ কৰা, উষ্ণ আৰু স্নিগ্ধ খাদ্যগ্ৰহণ কৰা ইত্যাদি। আনহাতে বিসংগতিপূৰ্ণ জীৱনশৈলী যেনে- ৰাত্ৰি জাগৰণ, অত্যধিক মানসিক চাপ, বেছি সময়লৈ পায়খানা, পেচাব আদিৰ বেগ ধাৰণ ইত্যাদিৰ প্ৰভাৱত আমাৰ শৰীৰত বাত দোষ দূষিত হৈ মাইগ্ৰেনৰ সমস্যা সৃষ্টি কৰে। সেয়েহে নিতৌ সঠিক সময়ত মলত্যাগ কৰা, দাঁত ব্ৰাছ কৰাৰ লগতে জিভা পৰিষ্কাৰ কৰা, নাক-কাণ পৰিষ্কাৰ কৰা, শৰীৰত নিতৌ তেল মালিচ ইত্যাদি কৰা উচিত।

(২) যোগাসন : মানসিক চাপ, দুশ্চিন্তা, আতংক, উদ্বেগ আদিৰ পৰা হাত সাৰি থাকিবলৈ যোগাসনে নিশ্চিতভাৱে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। সহজ বিপৰীতকৰণী মুদ্ৰা, পৱন মুক্তাসন, অৰ্ধ-কুৰ্মাসন, মৎস্যাসন, শশংগাসন, অনুলোম বিলোম, ভ্ৰামৰি প্ৰাণায়াম, যোগমুদ্ৰা, শৱাসন ইত্যাদিৰ লগতে নিতৌ আধা ঘণ্টা ধ্যান কৰা উচিত। অভিজ্ঞ যোগ পৰামৰ্শ দাতাৰ তত্ত্বাৱধানত এই যোগাসনসমূহ অভ্যাস কৰিলে সুফল পোৱা যায়।

(৩) বিভিন্ন ঔষধি দ্ৰব্যৰ লগতে ৰসায়নৰ প্ৰয়োগে দীৰ্ঘায়ু কৰাৰ উপৰি শাৰীৰিক, মানসিক বল বৃদ্ধি কৰি ৰোগ প্ৰতিৰোধ ক্ষমতা বঢ়াই তোলে। বহুতো ৰসায়ন গুণসমৃদ্ধ ঔষধি এণ্টি অক্সিডেন্ট, শৰীৰৰ ৰোগ প্ৰতিৰোধক, স্নায়ুতন্ত্ৰ তথা মগজুৰ পুষ্টি যোগাবলৈ সক্ষম। উদাহৰণস্বৰূপে শতাবৰী, ব্ৰাহ্মী, পুনৰ্নবা, তুলসী, শংখপুষ্পী, আমলখি, কুটকি, হালধি, অশ্বগন্ধা ইত্যাদি।

(৪) আমাৰ শৰীৰত দোষসমূহ অতিমাত্ৰাত দূষিত হ'লে বিভিন্ন ধৰণৰ পঞ্চকৰ্ম যেনে- বমন, বিৰেচন আদিৰ জৰিয়তে দেহ শোধন কৰা হয়।

(৫) ইয়াৰ উপৰি আন কিছুমান প্ৰক্ৰিয়া যেনে- শিৰোধাৰা, শিৰপিছু, শিৰো অভ্যংগ, শিৰোবস্তি, নস্য আদি চিকিৎসাৰ জৰিয়তেও যথেষ্ট সুফল পোৱা যায়।

(৬) আয়ুৰ্বেদত ৰোগীৰ প্ৰকৃতি, দূষিত হোৱা দোষ (বাত, পিত্ত, অগ্নি, কফ) ইত্যাদিৰ ওপৰত নিৰ্ভৰ কৰি বহুতো প্ৰভাৱশালী ঔষধৰ বৰ্ণনা কৰা হৈছে। ইয়াৰ ভিতৰত উল্লেখযোগ্য হ'লে শিৰোশূলাদি বজ্ৰ ৰস, চেফাগ্ৰেইন টেবলেট ইত্যাদি।

মাইগ্ৰেনৰ ঘৰুৱা বিধান :

(১) Peppermint Essential oil (পদিনা তেল) কপালত লগাই মালিচ কৰিলে মাইগ্ৰেনৰ বিষৰ পৰা আৰাম পোৱা যায়।

(২) জাইফল (nutmeg) গুড়ি কৰি পানীৰ সৈতে মিহলাই পেষ্ট বনাই কপালত লগাই আধাঘণ্টামান ৰাখিব। ইয়ে বিষ উপশম কৰাত যথেষ্ট সহায় কৰে।

(৩) চন্দন গুড়ি পানীৰ লগত মিহলাই কপালত লগালে আৰাম পোৱা যায়।

(৪) ৫ টোপালমান ব্ৰাহ্মী ঘিউ নাকত দিলে যথেষ্ট আৰাম পোৱা যায়।

(৫) ৰাতি শোৱাৰ আগতে শুকান আদা গুড়ি কৰি পানীৰ লগত মিহলাই পেষ্ট বনাই কপালত লগাব।

(৬) তুলসী পাতৰ পেষ্ট বনাই কপালত কিছু সময় লগাই ৰাখিলেও মূৰৰ বিষ কমে।


(৭) আমলখি গুড়ি ৫ৰ পৰা ১০ গ্ৰাম সমপৰিমাণৰ ঘি আৰু চেনি মিহলাই দিনে দুবাৰ খাব ।

(৮) দালচিনি গুড়ি কৰি অলপ পানী মিহলাই পেষ্ট বনাই কপালত আধা ঘণ্টামান লগাই ৰাখিলে যথেষ্ট আৰাম পাব।

উপৰিউক্ত পৰামৰ্শ আৰু নিৰ্দেশাৱলী মানি চলিলে মাইগ্ৰেনৰ সমস্যাৰ পৰা আমি আঁতৰি থাকিব পাৰিম। যদিহে ৰোগ আৰম্ভ হৈছে তেন্তে অভিজ্ঞ চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰি চিকিৎসা ব্যৱস্থা গ্ৰহণ কৰা উচিত। আধুনিক জীৱনশৈলীত মাইগ্ৰেনৰ সমস্যা কম-বেছি পৰিমাণে সকলোৰে দেখা পোৱা যায়। কিন্তু সঠিক জীৱনশৈলী আৰু সতৰ্কতা মানি চলি এই ৰোগ নিয়ন্ত্ৰণ কৰিব পাৰি।

# দুটি কবিতাৰ স্তৱক

মাধুৰী শৰ্মা সভাপণ্ডিত



১

দুখে তিতা বসন্ত কোলাত
নুশুনাবি ৰাগ জয় জয়ন্তী।
মৰা জোনৰ আকাশত
আশাবোৰ গোট মৰা-
নিমিলা অংকৰে ভৰি আছে পদূলি

২

কানখন উনাই থ
ৰাতি এপৰলৈ
দুৱাৰখন খুলি নথবি
গ'ম পাইছনে?
গোনা ম'হবোৰ ঘূৰিছে
যেনি-তেনি।
শুই নাথাকিবি অ' চন্তৰী
চোঁ মাৰি আহিছে শগুণ,
বুলনিত অজগৰৰ আচোৰ
দলনিত পোনা নেমেলিবি অ'
মাৰল ঘৰত লাগিছে জুই।

# ENGLISH NEWS SECTION

## Assam Chief Secretary reviews current Flood and Landslide situation in Assam

Guwahati, RB News : A review meeting was held at Chief Secretary's Conference Hall today for stocktaking of the current situation in Dima Hasao, Hojai, Cachar and other Barak Valley districts in the State affected due to severe Flood and Landslide since last few days. Pressing issues that have been discussed in the meeting were maintenance of supplies of essential food items to the affected districts especially Dima Hasao, reopening of the National Highway connected to the affected districts, uninterrupted electricity supply and maintaining the communication network (voice & data).

Addressing to the present challenges, Chief Secretary of Assam, Jishnu Barua, IAS, has taken the following decisions:

1. National Highway Authority of India (NHAI) was requested to restore the road connectivity from Guwahati to Haflong with immediate effect so that supplies and other essential commodities can be sent to the Dima Hasao district.
2. Indian Air Force (IAF) was requested to airdrop the most essential supplies like rice, daal, and medicines to Dima Hasao district by tomorrow.
3. 35 stranded railway employees and their families along with left out passengers at the New Haflong railway station would also be rescued with the help of IAF.
4. DC Dima Hasao to supply 200 L of fuel to the BSNL Authority immediately at Duiyang Microwave Station for restoring the communication network.
5. Assam State Disaster Management Authority (ASDMA) will also use the services of drones/satellite data to ascertain the loss and damage data of the district.
6. The rescue operation of the stranded people and supply of relief materials has been started through 20 rubber boats with the help of SDRF and Army in Hojai district.
7. DCs of Hojai, Karimganj and Cachar districts are instructed to have regular meetings with the Chamber of Commerce, Suppliers and merchants for the smooth maintenance of supplies.
8. However, connectivity remains an issue due to multiple landslides in the Guwahati-Silchar road via Meghalaya. DC, Cachar was also assured to resolve the issue of air fare hike with the help of Assam Tourism Development Corporation (ATDC).



Following the review meeting, CS also had a video conference with all the DCs of the State on Flood Preparedness. As per the daily flood data,

A. 403352 populations in 26 districts have been affected in the last 24 hrs in the State.
B. 89 relief camps and relief distribution centers have been open in all affected areas.
C. A total of 39558 inmates are staying in these relief camps.
D. Till date, 08 human lives (3 in flood, 5 in landslide) have been lost.

The review meeting was also attended by Biswa Ranjan Samal, IAS, Addl. Chief Secretary to the Govt. of Assam, Niraj Verma, IAS, Principal Secretary, Govt. of Assam, G.D.Tripathi, IAS, Commissioner & Secretary, Revenue & DM Dept., Rakesh Kumar, IAS, MD, APDCL and key stakeholders from IAF, NHAI, Indian Army, NDRF, SDRF, FCI, NHIDCL, NF Railway, District Administration, Kamrup Metro, Food & Civil Supply, PWD (Roads), BSNL and ASDMA Officials.

## Anti-Terrorism Day




Along with other state government offices, the Anti-Terrorism Day is also observed at Assam Secretariat today. Additional Chief Secretary Paban Kumar Borthakur administered the pledge of ant-terrorism day to the officials of the secretariat. On this occasion, pledge was taken to prevent all forms of terrorism and violence with all forces while maintaining unwavering faith in Indian tradition of non-violence and tolerance. It was also resolved to fight against the divisive forces that threaten human life and human values by maintaining peace, social harmony and understanding among all. It may be mentioned that on this day in 1991, former Prime Minister Rajiv Gandhi was assassinated by suicide bomber in Tamil Nadu. Since then, every year 21 st May is observed as anti-terrorism day across the country to sensitise everyone about the horrors and adverse effects of terrorism.

## Nagaland Chief Information Commissioner visits Assam Information Commission



Guwahati, Rongili Barta- Nagaland Chief Information Commissioner Shri I. M. Jamir visited the Assam Information Commission here today and held discussions with Assam Chief Information Commissioner Dr A. P. Rout about various issues related to speedy disposal of RTI appeals. State Information Commissioners of Assam Shri Kanak Chandra Sarma and Dr Samudra Gupta Kashy ap were also present during the discussions. issues which came up during the discussions included disposal of RTI petitions by the public authorities within the time-frame laid down in the RTI Act. 2005. and suo moto disclosure. Assam Chief information Commissioner Dr. Rout also informed his Nagaland counterpart about orientation workshops which the Assam Information Commission conducted in order to ensure that SPIOs and PIOs dispose RTI applications within the laid down time-frame and citizens do not have to go for appeals to get information sought for. The Nagaland Chief Information Commissioner also visited the permanent building of the Assam Information Commission which is nearing completion at Juripar here.

## Government closes Chief Minister's Sishu Seva Scheme

In view of the gradual decline of the COVID-19 pandemic in the Country in general and in the State in particular and in view of the decreasing number of cases and resultant nil fatalities due to COVID-19 in the State, the State Government has decided to close the 'Chief Minister's Sishu Seva Scheme'. It may be mentioned here that the application form in the portal https://cmcovidsupport.assam.gov.in has already been closed and no further applications in any form shall be entertained with effect from the date of closure.

## Sr Assistant of Labour Commissioner suspended

Sonit Kr. Das, Sr. Assistant of the Office of the Labour Commissioner, Assam is placed under suspension today with immediate effect. He is allegedly engaged in corrupt practices for issue of Contract of Labour Licences. The news item about it is telecast in various Assamese News Channels.

**E-mail us-**
rongilibartamedhi@gmail.com

Postal Redg. No. GH- 098/ 2015 - 17

**Rongili Barta**
GUWAHATI—781025
৭ জেঠ, ১৪২৭ চন  Rongili Barta, Date of Publication-- 22 May, 2022

## Beauty of the Week



**Kabyashree Goswami**

# নাৰী তুমি অনন্যা



অনন্ত ব্ৰহ্মাণ্ডৰ তুমিয়েই, একমাত্ৰ
সঁহাৰি,
অনন্যা একমাত্ৰ তুমিয়েই নাৰী।
জনমে জনমে কেৱল তুমিয়েই মোৰ
জীৱনত,
সুখী হৈ আছোঁ মই তোমাৰেই আদৰত।
কাৰো সৈতে তোমাৰ নহয় তুলনা,
নালাগে তোমাৰ ভাগৰ, যেন অনন্ত
সবলতা।
ধৰাখনিত তোমাৰ দৰে উপহাৰ নাই,
মোৰ প্ৰতিটো ক্ষেত্ৰত থাকা আনন্দ
বিলাই।
দেখুৱাই থকা তুমি জীৱনৰ প্ৰকাশ,
অনুচিত কৰ্মৰ তুমি কৰা বিনাশ।
ধৰাখনিত তোমাৰ দৰে নাই ৰত্ন,
যিয়েই বুজে দুখ আৰু কৰে যত্ন।
জীৱনৰ আৰম্ভণিত মই এগৰাকী নাৰী
কে দেখো,
জীৱনৰ অন্তিম ক্ষণটো মই নাৰীৰ
সৈতে থাকো।
জীৱনৰ প্ৰথম নাৰী একমাত্ৰ মোৰ
মৰমৰ মা,
যাৰ বাবে দেখিলো মই, এই সুন্দৰ ধৰা।
নাৰীয়ে হৈছে আমাৰ জীৱন সংগিনী,
সফলতাৰ কাহিনীৰ নাৰীয়েই কৰে আৰম্ভণি।
মাতৃ, ভগ্নী, মামী নাৰীয়েই হয়,
বিৰঙ্গনাৰ দৰে দি থাকা অভয়।
সমাজত আজিকালি লাঞ্চিতা নাৰী,
শুনিবলৈ কিয় পাওঁ নাৰীৰ দুখৰ ধ্বনি।
লক্ষ্মী, দূৰ্গাৰ ৰূপে তোমাৰেই কৰে বন্দনা,
বুজি নাপাও কিয় এই নাৰী'কে কৰে অৱহেলা।
নাৰীয়েই বিনাসি আৰু সৃষ্টিকৰ্তা,
নাৰী হয় এনে যেন এটি উজ্জ্বল তৰা।
নাৰীৰ বাবে আৰম্ভণি হৈছিল মহাভাৰতৰ,
নাৰীৰ বাবে সূচনা হৈছিল ট্ৰজান যুদ্ধৰ।
নাৰীৰ অবিহনে ধৰা হ'ব শূন্য,
সচাকৈ নাৰী তুমি অনন্যা আৰু বৰেণ্য।

**নিতিষ্মান দাস, অষ্টম শ্ৰেণী**

## Art of the Week



**Ananya Kaushik**

## Photography of the Week



**Jumi Borkotoky**

**Beauty of the Week  Art of the Week**
**আৰু · Photography of the Week লৈ**
**আপোনালোকৰ ফটোবোৰ আমালৈ E-mail যোগে প্ৰেৰণ কৰক**
**E-mail-**
**rongilibartamedhi@gmail.com**
**Whatsapp - 9854215286**

ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি  মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি  সহঃসম্পাদিকাঃ স্বাগতা বৰুৱা গোস্বামী  সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi  Ph. 99570-45203  EDITOR-IN-CHIEF :-  UDDIPTA NAYAN MEDHI  Ph.98542-15286